www.asombarta.in

PRGI REGD. NO. : ASASS/25/A2361

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিসকলে পৰকালত বিশ্বাস ৰাখে তেওঁ যেন ভাল কথা কয়, নহয় নীৰৱ থাকে। - বোখাৰী শ্বৰিফ মহৎ।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ ষষ্ঠ বছৰ ❑ সংখ্যা - ২৩১ ❑ বৃহস্পতিবাৰ ❑ ১৩ নৱেম্বৰ, ২০২৫ চন ❑ ২৬ কাতি, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 231 ❑ Thursday ❑ 13th November, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

অসম বিধানসভাৰ প্ৰেক্ষাগৃহত ৰাজ্যৰ বিৰোধী দলসমূহৰ গুৰুত্বপূৰ্ণ বৈঠক

# থানবান হোৱা বিৰোধী ঐক্য পুনৰ গঠনৰ কুচকাৱাজ



## ২০২৬ৰ নিৰ্বাচনী ৰণৰ ৰোডমেপ প্ৰস্তুত

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ নৱেম্বৰ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত বিৰোধী দলসমূহৰ মাজত ঐক্য গঢ়ি তোলাৰ লক্ষ্যৰে বুধবাৰে অসম বিধানসভাৰ গোপীনাথ বৰদলৈ ভৱনৰ সভাকক্ষত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ আহ্বানত আয়োজিত এই বৈঠকত কংগ্ৰেছৰ লগতে অসম জাতীয় পৰিষদ (এজেপি), চিপিআই(এম), চিপিআই(এমএল) আদি দলৰ শীৰ্ষ নেতাসকলে অংশগ্ৰহণ কৰে। বৈঠকত দুৰ্নীতি, চিণ্ডিকেট আৰু ক্ষমতাৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুটীয়া সংগ্ৰামৰ বাবে বিৰোধী শক্তিৰ ঐক্যবদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত উপস্থিত আছিল প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, সাংসদ ৰকিবুল হুছেইন, তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং, প্ৰদ্যুত বৰদলৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ, চিপিআই(এমএল)ৰ নেতা বিবেক দাস আৰু কনক গগৈ, চিপিআই(এম)ৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ আৰু সুশান্ত তালুকদাৰ, সাংসদ অজিত কুমাৰ ভূএগ্তাৰ লগতে অন্যান্য নেতা। অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে বৈঠকক "ইতিবাচক আৰম্ভণি" বুলি অভিহিত কৰি কয়, "অসমৰ ৰাইজে বিৰোধীক একত্ৰিত হোৱাটো বিচাৰে। এই বৈঠকে সমগ্ৰ ৰাজ্যতে এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিব। বৰ্তমানৰ শাসন ব্যৱস্থাৰ অধীনত প্ৰচলিত চিণ্ডিকেট আৰু দুৰ্নীতি সংস্কৃতিৰ অন্ত পেলাবলৈ বিৰোধী দলসমূহৰ মাজত ঐক্য অতি প্ৰয়োজনীয়। ঐক্যৰ জৰিয়তেহে দুৰ্নীতি আৰু ক্ষমতাৰ অপব্যৱহাৰৰ অন্ত পেলাব পৰা যাব।" কংগ্ৰেছৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয়, "এই বৈঠকৰ মূল লক্ষ্য হৈছে ▸▸৬ পৃষ্ঠাত



## 'বৈ বৈ বিনালে'ৰ পাইৰেচীৰ অভিযোগত গ্ৰেপ্তাৰ যুৱক

## ইউটিউবত আপলোড কৰি ভাইৰেল কৰাৰ অভিযোগ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ নৱেম্বৰ ঃ** অসমীয়া চলচ্চিত্ৰ 'বৈ বৈ বিনালে'ক অনলাইন মাধ্যমত অবৈধভাৱে আপলোড কৰি ভাইৰেল কৰাৰ অভিযোগত ক্ৰাইম ব্ৰাঞ্চে গোৱালপাৰাৰ বাসিন্দা ৰফিকুল ইছলাম নামৰ এগৰাকী যুৱকক ▸▸৬ পৃষ্ঠাত

## আজি পৰ্যন্ত অৰুণাচলৰ খাৰচাঙৰ তৈলক্ষেত্ৰৰ তেল নিৰ্গমন ৰোধত ব্যৰ্থ জিঅ'ইনপ্ৰ'

অ'এনজিচিৰ লগতে বিদেশী বিশেষজ্ঞ দলৰ চেষ্টা অব্যাহত

**অসম বাৰ্তা, ইটানগৰৰ, ১২ নৱেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ খাৰছাং তৈলক্ষেত্ৰত জিঅ'এনপ্ৰ' পেট্ৰ'লিয়াম লিমিটেড (GEPL)ৰ পৰিচালিত এটা কুঁৱাত ৩০ অক্টোবৰত সংঘটিত ভয়ংকৰ বিস্ফোৰণ আৰু তেল নিৰ্গমনৰ ঘটনাই বুধবাৰে অষ্টম দিনত ভৰি দিছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অইল ইণ্ডিয়া লিমিটেডে (OIL) আমেৰিকাৰ বিশেষজ্ঞ দল নিয়োগ কৰিছে আৰু বৃহস্পতিবাৰে এই দল ঘটনাস্থলীত উপস্থিত হ'ব। GEPLৰ ব্যৰ্থতাৰ ফলত সৃষ্টি হোৱা এই পৰিৱেশ বিপৰ্যয়ে স্থানীয় জনজীৱনক প্ৰভাৱিত কৰি তুলিছে। অইল ইণ্ডিয়াৰ শীৰ্ষ বিষয়াসকলে জনোৱা অনুসৰি, আমেৰিকাৰ ▸▸৬ পৃষ্ঠাত



## আদালতত হাজিৰ বীৰ লাচিত সেনাৰ ১০ অভিযুক্তক

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ নৱেম্বৰ ঃ** ধনবাদী, অপহৰণ আৰু অন্যান্য গুৰুতৰ অপৰাধৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা বীৰ লাচিত সেনাৰ দহজন সদস্যৰ চিআইডি জিম্মা বুধবাৰে সম্পূৰ্ণ হৈছে। পাঁচদিনীয়া জিম্মাৰ অন্তত অভিযুক্তসকলক ▸▸৬ পৃষ্ঠাত

## জনজাতিকৰণৰ দাবীত তিনিচুকীয়াত টাই-আহোম সমাজৰ উত্তাল প্ৰতিবাদ



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১২ নৱেম্বৰ ঃ** জনজাতিকৰণৰ দাবীত তিনিচুকীয়াত আজি টাই-আহোম সমাজে এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। টাই আহোম ছাত্ৰ সন্থা, টাই-আহোম যুৱ পৰিষদৰ লগতে টাই-আহোম জনগোষ্ঠীয় সংগঠনৰ প্ৰায় তিনি সহস্ৰাধিক লোকে আজি জনজাতিকৰণৰ দাবীত ৰাজপথলৈ ওলাই আহি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ন' এছ টি ন' ভোট, মৰিলেও মৰি যাম জনজাতি লৈ যাম, টাই-আহোম ঐক্য জিন্দাবাদ, জনজাতিকৰণৰ নামত প্ৰতাৰণা নচলিব, অৰুণাচলত বসবাস কৰা আহোমসকলক স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ প্ৰদান কৰক, বিজেপি হায় হায় ▸▸৬ পৃষ্ঠাত

নিজৰ কামৰ বাবে লাজ পাবলগীয়া হৈছে কংগ্ৰেছ ঃ মুখ্যমন্ত্ৰী

## জনসাধাৰণেও মুকলিকৈ প্ৰত্যাখ্যান কৰিছে ধুতি-লুঙীক

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ নৱেম্বৰ ঃ** গুৱাহাটীত অনুষ্ঠিত এক অনুষ্ঠানৰ সময়ত কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মহিলাক দহ হাজাৰ টকাকৈ প্ৰদান কৰা সন্দৰ্ভত কংগ্ৰেছে বিজেপি চৰকাৰক কৰা সমালোচনাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ড° শৰ্মাই। ৰাজ্য চৰকাৰৰ আৰ্থিক সাহায্য আঁচনিৰ অধীনত মহিলা হিতাধিকাৰীয়ে দহ হাজাৰ টকাকৈ লাভ কৰা ▸▸৬ পৃষ্ঠাত

## অসমৰ ৩৪ জেহাদী সমৰ্থকক চিনাক্ত শীঘ্ৰে গ্ৰেপ্তাৰৰ আশ্বাস মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ নৱেম্বৰ ঃ** দিল্লীৰ লালকিল্লাৰ সমীপত সংঘটিত ভয়ংকৰ কাৰ বিস্ফোৰণৰ পিছতে অসমৰ নিৰাপত্তা পৰিস্থিতিক লৈ গভীৰ আশংকা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বুধবাৰে সংবাদ মাধ্যমৰ আগত তেওঁ কয়, "যিকোনো মুহূৰ্তত অসমক ▸▸৬ পৃষ্ঠাত

## মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৃষিমন্ত্ৰী অতুল বৰাৰ

**অসম বাৰ্তা, দিছপুৰ, ১২ নৱেম্বৰ ঃ** কৃষিমন্ত্ৰী অতুল বৰাই আজি নতুন দিল্লীত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৰি ৰাজ্যখনত ৰূপায়িত হৈ থকা কেন্দ্ৰীয় আঁচনিসমূহৰ অগ্ৰগতি সন্দৰ্ভত মন্ত্ৰীগৰাকীক অৱগত কৰে। তেওঁ লগতে ৰাজ্যখনৰ কৃষকসকলৰ জীৱন ধাৰণৰ মান ▸▸৬ পৃষ্ঠাত



পাকিস্তানৰ মন্তব্য ভিত্তিহীন আৰু হতাশা আখ্যা ভাৰতৰ

## ইছলামাবাদ বিস্ফোৰণত ভাৰতক দোষাৰোপ পাক প্ৰধানমন্ত্ৰীৰ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ নৱেম্বৰ ঃ** পাকিস্তানৰ ৰাজধানী ইছলামাবাদত সোমবাৰে সংঘটিত হোৱা ভয়ংকৰ আত্মঘাতী বোমা বিস্ফোৰণৰ আঁৰত ভাৰতৰ হাত আছে বুলি পাক প্ৰধানমন্ত্ৰী শ্বাহবাজ ▸▸৬ পৃষ্ঠাত

ভূটানৰ পৰা উভতি নিৰাপত্তা পৰ্যালোচনা বৈঠক

## দিল্লী কাৰ বিস্ফোৰণত আহতক সাক্ষাৎ প্ৰধানমন্ত্ৰী মোদীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ নৱেম্বৰ ঃ** ভূটানৰ দুদিনীয়া ৰাষ্ট্ৰীয় ভ্ৰমণ সামৰি বুধবাৰে দুপৰীয়া দিল্লীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তাৎক্ষণিকভাৱে লোকনায়ক জয়প্ৰকাশ নাৰায়ণ হাস্পতালত উপস্থিত হৈ সোমবাৰে লালকিল্লাৰ মেট্ৰ' ষ্টেচনৰ সমীপত সংঘটিত কাৰ বিস্ফোৰণত আহতসকলক সাক্ষাৎ কৰে আৰু তেওঁলোকৰ সুস্থতাৰ কামনা কৰে। এই ভয়ংকৰ ঘটনাত ১২জন লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক গুৰুতৰভাৱে আহত হৈছে। প্ৰধানমন্ত্ৰীয়ে সন্ধিয়া মন্ত্ৰীসভাৰ গুৰুত্বপূৰ্ণ বৈঠকত যোগদান ▸▸৬ পৃষ্ঠাত



## ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীৰ বাবে শূন্য প্ৰিমিয়ামত ঐতিহাসিক বীমা আঁচনি ঘোষণা মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰী কৰ্মচাৰীসকলৰ বাবে এক ঐতিহাসিক আৰু অনন্য বীমা আঁচনিৰ ঘোষণা ▸▸৬ পৃষ্ঠাত




■ বিধানসভা-সংসদত উত্থাপনৰ প্ৰতিশ্ৰুতি উজনিত বিভিন্ন সংগঠনৰ সৈতে বৈঠক ■

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণকলৈ অগপৰ মুকলি সমৰ্থন



**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ১২ নৱেম্বৰ ঃ** অসমৰ ছয় জনগোষ্ঠী— মৰাণ, মটক, টাই-আহোম, চাহ জনগোষ্ঠী, কোঁচ ৰাজবংশী আৰু চুতীয়াৰ জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবীক অসম গণ পৰিষদে (অগপ) মুকলি আৰু পূৰ্ণ সমৰ্থন আগবঢ়াইছে। চৰকাৰৰ অংশীদাৰী দল হিচাপে দীৰ্ঘদিন নিমাত থকা অগপে এতিয়া এই বিষয়টোক বিধানসভা, লোকসভা আৰু ৰাজ্যসভাত জোৰদাৰকৈ উত্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিছে। বুধবাৰে ডিব্ৰুগড়ৰ আমোলাপট্টিস্থিত জিমখানা ক্লাবত মটক জনগোষ্ঠীৰ সংগঠন সদৌ অসম মটক সন্মিলনৰ লগতে অন্যান্য সংগঠনৰ নেতৃত্বৰ সৈতে অনুষ্ঠিত বৈঠকত এই সিদ্ধান্ত প্ৰকাশ পাইছে। বৈঠকত অগপৰ শীৰ্ষ ▸▸৬ পৃষ্ঠাত

## ৰজ্য চৰকাৰৰ গুগলৰ সৈতে এআই চুক্তিত স্বাক্ষৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ নৱেম্বৰ ঃ** কৃত্ৰিম বুদ্ধিমত্তা (AI) প্ৰযুক্তিৰ দক্ষতা বৃদ্ধি আৰু চৰকাৰী সেৱাৰ মান উন্নয়নৰ লক্ষ্যৰে অসম চৰকাৰে বিশ্বৰ শীৰ্ষ প্ৰযুক্তি কোম্পানী গুগলৰ সৈতে এক যুগান্তকাৰী চুক্তিত স্বাক্ষৰ কৰিছে। এই অংশীদাৰিত্বৰ জৰিয়তে ৰাজহুৱা ▸▸৬ পৃষ্ঠাত

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত বৃত্তীয়-প্ৰশাসনিক কেলেংকাৰী

## উপাচাৰ্য ৰাজেন্দ্ৰ প্ৰসাদ দাসৰ বিৰুদ্ধে তদন্ত আৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ নৱেম্বৰ ঃ** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (KKHSOU)ত ব্যাপক আৰ্থিক আৰু প্ৰশাসনিক অনিয়মৰ অভিযোগ উত্থাপিত ▸▸৬ পৃষ্ঠাত



## ৰাজ্যত চৰ্তসাপেক্ষে লটাৰি উপহাৰ কুপন আয়োজনত অনুমতি




জিলা আয়ুক্তৰ হাতত কৰ্তৃত্ব, কৰ আদায় বাধ্যতামূলক

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ নৱেম্বৰ ঃ** অসম চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পিছত ৰাজ্যত লটাৰি আৰু উপহাৰ কুপনৰ খেল অনুষ্ঠিত কৰাৰ বাবে কঠোৰ চৰ্তসাপেক্ষে অনুমতি প্ৰদান কৰিছে। বিত্ত বিভাগৰ নতুন নিৰ্দেশনা অনুসৰি ▸▸৬ পৃষ্ঠাত

# ডবকাৰ ইডেন মডেল একাডেমী চিনিয়ৰ ছেকণ্ডাৰী স্কুলত "ৰাষ্ট্ৰীয় শিক্ষা দিৱসৰ লগতে ছিৰাতুন নবী (ছঃ) মাহফিল" উদ্‌যাপন

**অসম বাৰ্তা, ডবকা, ১২ নৱেম্বৰ ঃ** হোজাই জিলাৰ ডবকাৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহৰ ভিতৰত থকা এখন আগশাৰীৰ বিদ্যালয় হ'ল "ইডেন মডেল একাডেমী চিনিয়ৰ ছেকণ্ডাৰী স্কুল"। বিদ্যালয় খনৰ আৰম্ভণিৰ পৰা প্ৰতি বছৰে ভাল ফলাফল লাভ কৰি আহিছে। এই বেলি বিদ্যালয়খনত ৰাষ্ট্ৰীয় শিক্ষা দিৱসৰ লগত সংগতি ৰাখি ১১ নৱেম্বৰৰ দিনটোত "ৰাষ্ট্ৰীয় শিক্ষা দিৱস উদযাপন আৰু ছিৰাতুন নবী (ছঃ) মাহফিল" অনুষ্ঠিত কৰা হয়। আজিৰ দিনটোত আৰম্ভণিতে অসমৰ হৃদস্পন্দন প্ৰয়াত জুবান গাৰ্গক সুঁৱৰি 'মায়াবিনি' গিতটি পৰিৱেশণৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলে কিৰাত, গজল, বক্তৃতা, কবিতা আবৃত্তিৰ ওপৰত এলানি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাৰ অনুষ্ঠানত সভাপতিত্ব কৰে ক্বাৰী নিজাম উদ্দিন চাহাবে। প্ৰতিযোগিতাৰ বিচাৰকৰ আসনত আছিল ক্ৰমে হজৰত মওলানা চুৰাহিল আৰু হজৰত মওলানা নাজিম উদ্দিন। দুপৰীয়া ১২ বজাৰ পৰা বিদ্যালয় প্ৰাঙ্গণত মুকলি সভা অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে ডবকা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ জেষ্ঠ্য সহায়ক ছামচুল আলম পাটোৱাৰীয়ে। আজিৰ এই অনুষ্ঠানত প্ৰধান অতিথি হিচাপে উপস্থিত থাকে কাছিমুল উলুম মৌডংগা মাদ্ৰাছাৰ নাইবে মহতমিম হজৰত মাওলানা কাৰী আব্দুল মতিন, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে হজৰত মাওলানা ৰফিক উদ্দিন, আলহাজ জামাল আহমেদ বড়ভূঞা, শ্ৰীযুত মাখন চন্দ্ৰ বিশ্বাস, অৱসৰপ্ৰাপ্ত শিক্ষক ইকৰাম মীৰ, নুৰ উদ্দিন, হজৰত মওলানা হিফজুৰ ৰহমান, হজৰত মওলানা আব্দুল বাচিত, শিক্ষক আব্দুছ চুবুৰ হীৰা, হাফিজ ৰসিদ আহমদ, হাফিজ আব্দুছ ছুবহান, প্ৰমুখ্যে বহু আলিম, শিক্ষাবিদ আৰু বুদ্ধিজীৱী সকল এই অনুষ্ঠানত উপস্থিত থাকে। লগতে বিভিন্ন বিদ্যালয়ৰ পৰা অহা বহু ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকল উপস্থিত থাকে। বিদ্যালয় খনৰ সঞ্চালক মাওলানা এহছানুৰ ৰহমান, পৰিচালনা সঞ্চালক ৰিয়াজুল আলম পাটোৱাৰী, সম্পাদক মাছুমুৰ ৰহমান আল-হিলাল আৰু আজিৰ এই সভাত উপস্থিত থকা বিশিষ্ট অতিথি সকলে ৰাষ্ট্ৰীয় শিক্ষা দিৱসৰ তাৎপৰ্য্য আৰু হজৰত মুহাম্মদ (ছঃ)ৰ ছিৰাতৰ ওপৰত আকৰ্ষণীয় ব্যাখ্যা আগবঢ়ায়। বক্তৃতাত মওলানা আবুল কালাম আজাদৰ শিক্ষা দৰ্শনে ভাৰতীয় শিক্ষা ব্যৱস্থাত এক নতুন দিশ আনিছে বুলি উল্লেখ কৰা হয়। শিক্ষাৰ প্ৰতি সচেতনতা বৃদ্ধিৰ লক্ষ্যৰেই এই দিন উদযাপন কৰা হয় বুলি উল্লেখ হয়। তদুপৰি, ছিৰাতুন নবী (ছঃ) মাহফিলৰ অংশত বক্তাসকলে মহানবী হযৰত মুহাম্মদ (ছঃ)ৰ জীৱন আদৰ্শ, সমাজত ন্যায়, সম্প্ৰীতি আৰু নৈতিকতাৰ মূল্যবোধৰ বিষয়ে আলোচনা কৰে। বক্তা সকলে কয় যে নবীজীৰ আদৰ্শ অনুসৰণেই সমাজত শান্তি আৰু ভাতৃত্ব বজাই ৰাখিব পাৰিব অধিৱেশনৰ শেষাংশত প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলক প্ৰশংসনীয় বঁটা বিতৰণ কৰা হয়।

ভূমিৰ দাতাৰ পিতৃ দীনৰাম হাবিলদাৰৰ প্ৰতিমূৰ্তি স্থাপনৰ দাবী আন্তঃৰাষ্ট্ৰীয় কোচৰাজবংশী সংস্থাৰ

# অভয়াপুৰীৰ দীনৰাম মেমোৰিয়েল হস্পিতাল

**অসম বাৰ্তা, লেংটিছিঙা, ১২ নৱেম্বৰ ঃ** অভয়াপুৰীৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত দীনৰাম হাবিলদাৰৰ সোঁৱৰণত অভয়াপুৰীত প্ৰতিষ্ঠা কৰা দীনৰাম সোঁৱৰণি চিকিৎসালয়ৰ সন্মুখত প্ৰয়াত দীৰাম হাবিলদাৰৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে চিকিৎসালয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে আন্তঃৰাষ্ট্ৰীয় কোচৰাজবংশী সংস্থাই। এক প্ৰেছ বিবৃতিত সংস্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে জানিবলৈ দিয়ে যে বঙাইগাঁও জিলাৰ বিশিষ্ট শিশু বিশেষজ্ঞ তথা বঙাইগাঁও লৱাৰ আসাম হাস্পাতালৰ স্বত্বাধিকাৰী ডাঃ ইতেশ বৰদলৈয়ে প্ৰয়াত দীনৰাম হাবিলদাৰৰ পৰিয়ালৰ সহযোগত ২০১৮ চনতে অভয়াপুৰী চহৰত এখন চিকিৎসালয় স্থাপন কৰিছিল। কিন্তু চিকিৎসালয়খনৰ নিৰ্মাণ কাৰ্য আৰম্ভ হোৱাৰ পৰাই চল-চক্ৰান্ত চলোৱা বুলি অভিযোগ কৰিছিল চিকিৎসালয়খনৰ ভূমিৰ দাতা প্ৰয়াত দীনৰাম হাবিলদাৰৰ পুত্ৰ প্ৰয়াত বসন্ত কুমাৰ সিংহই। এই অভিযোগ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনৰ। প্ৰেছ বিবৃতিটোত বৰ্মনে আকৌ উল্লেখ কৰে যে, অভয়াপুৰী ২নং বাৰ্ড (পিৰাধৰা)ৰ বাসিন্দা প্ৰয়াত বসন্ত কুমাৰ সিংহ আছিল বিশিষ্ট সমাজকৰ্মী, দয়ালু আৰু এজন দক্ষ কৰ্মনিষ্ঠ অভিযন্তা। অভয়াপুৰীৰ বৃহৎ অঞ্চলৰ চিকিৎসা ব্যৱস্থাৰ প্ৰতি লক্ষ্য কৰি অঞ্চলটোত এখন উন্নতমানৰ চিকিৎসালয় স্থাপন কৰাৰ বাবে মনস্থ কৰে আৰু বঙাইগাঁও জিলাৰ চিকিৎসা ব্যৱসায়ী ডাঃ ইতেশ বৰদলৈৰ সৈতে সংযোগ স্থাপন কৰে। সেই মৰ্মে প্ৰয়াত সিংহৰ পিতৃ দীনৰাম হাবিলদাৰৰ সোঁৱৰণত এখন উন্নত মানৰ চিকিৎসালয় স্থাপন কৰাৰ বাবে অভয়াপুৰীৰ ৰৌমাৰীস্থিত ৪ বিঘা মূল্যবান দান কৰাৰ বাবে মনস্থ কৰে। সেই মতে দীনৰাম হাবিলদাৰ মেমোৰিয়েল হস্পিতাল, অভয়াপুৰীৰ নামত চুক্তি স্বাক্ষৰ কৰি ডাঃ ইতেশ বৰদলৈক ২০১৬ চনত দানসূত্ৰে ভূমিদোখৰ হস্তান্ত কৰে। সভাপতি বৰ্মনে উল্লেখ কৰা মতে বহু ঘাত-প্ৰতিঘাতৰ মাজত ২০১৮ চনৰ ১ জানুৱাৰীত চিকিৎসালয় নিৰ্মাণৰ শিলান্যাস কৰা হয়। আৰু ২০২০ চনৰ ১ জুলাইত চিকিৎসালয়খন উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত প্ৰয়াত বসন্ত সিংহ উপস্থিত নাছিল বুলি পৰিয়ালসূত্ৰে বৰ্মনে জানিবলৈ পায় বুলিও বিবৃতিত উল্লেখ কৰে। ইপিনে বৰ্তমান চিকিৎসালয়খনৰ নাম ফলকত উপাধি হাবিলদাৰ ব্যৱহাৰ নকৰি কেৱল "দীনাৰাম মেমোৰিয়েল হস্পিতাল, অভয়াপুৰী" বুলি উল্লেখ থকাত বহুতৰে মনত প্ৰশ্ন উত্থাপন হোৱা বুলি উল্লেখ কৰে। মনকৰিবলগীয়া যে প্ৰয়াত বসন্ত সিংহৰ পিতৃৰ নাম দীনাৰাম হাবিলদাৰ আৰু ডাঃ হিতেশ বৰদলৈৰ পিতৃৰ নামো দীনৰাম বৰদলৈ। চিকিৎসালয়খনৰ উদ্বোধনী ফলকত ভূমিদাতা হিচাপে প্ৰয়াত বসন্ত কুমাৰ সিংহৰ নাম থকাৰ বাহিৰে দীনাৰাম হাবিলদাৰৰ কোনো চিন-মোকামেই নাই। এনে ক্ষেত্ৰত দীনাৰাম মেমোৰিয়েল হস্পিতালখন কাৰ পিতৃৰ নাম প্ৰতিনিধিত্ব কৰিছে ই এক ডাঙৰ প্ৰশ্ন বুলি বিবৃতিটোত উল্লেখ কৰে বৰ্মনে। এনে অৱস্থাত চিকিৎসালয়খনৰ সন্মুখত দীনৰাম হাবিলদাৰৰ প্ৰতিমূৰ্তি স্থাপন কৰি প্ৰকৃততে যে প্ৰয়াত দীনৰাম হাবিলদাৰ সোঁৰণত চিকিৎসালয়খন নিৰ্মাণ কৰিছে সেয়া প্ৰতিপন্ন কৰিবলৈ চিকিৎসালয় কৰ্তৃপক্ষক দাবী জনাইছে সভাপতি বৰ্মনে।

শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াত বিভোৰ ভক্তগণ; ১৫ নৱেম্বৰলৈ চলিব বকোৰ ৰাস

# বকো আঞ্চলিক ৰাস মহোৎসৱত লোকে-লোকাৰণ্য পৰিৱেশ

**অসম বাৰ্তা, বকো, ১২ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ বকো আঞ্চলিক ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত এই বেলি ২৬ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে ভগৱান শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ। যোৱা ৫ নৱেম্বৰৰ পৰা আনুষ্ঠানিকভাৱে আয়োজন কৰা ৰাস মহোৎসৱৰ আজি সপ্তম দিন। বকো আঞ্চলিক ৰাস মহোৎসৱৰ বৰ্ণাঢ্য আৰু বিস্তৃত কাৰ্য্যক্ৰমণিকাৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা নিত্য-নৈমিত্তিক পূজাৰ কাৰ্য্য চলি আহিছে। কাৰ্য্যসুচী অনুসৰি পূজা আৰম্ভণিৰ দিনা ৰাধা-কৃষ্ণৰ যুগল মূৰ্তি স্থাপন, জয় জগন্নাথ বিগ্ৰহ স্থাপন, ঘট বুৰণ, ভাগৱত স্থাপন। ইয়াৰ পিছতে সকলোৰে হিয়াৰ আমঠু অমৃতকণ্ঠ সদ্য প্ৰয়াত যশস্বী শিল্পী জুবিন গাৰ্গৰ নামত ২০ জোপা নাহৰ গছৰ পুলি ৰোপণ কৰা হয় লগতে প্ৰয়াত শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কৰা হয়। ইয়াৰ পিছতে মাংগলিক ৰীতি-নীতিৰে পূজা আৰম্ভ হয়। ঠিক তেনেদৰে দ্বিতীয় দিনাও নিত্য নৈমিত্তিক পূজা আৰম্ভ হয়। দ্বিতীয় দিনা সাংস্কৃতিক সন্ধিয়াৰ কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। সেয়ে দ্বিতীয় দিনাৰ নিশাৰ সাংস্কৃতিক মঞ্চখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে খণ্ড প্ৰাথমিক শিক্ষা বিভাগৰ ৰামপুৰ কাৰ্যালয়ৰ গাণণিক বিষয়া হিতেশ কলিতাই। তৃতীয় দিনাও নিত্য নৈমিত্তিক পূজা আৰম্ভ হয়। তৃতীয় দিনা সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰীয়ে। বকো আঞ্চলিক ৰাস মহোৎসৱৰ স্থায়ী সমিতিৰ সভাপতি তৰুণ বড়ো আৰু সম্পাদক প্ৰশান্ত বড়োৰে জনোৱা অনুসৰি বকোৰ ৰাস স্থলীত আৰম্ভণিৰ দিনাৰ পৰাই দৰ্শনাৰ্থীৰ ভিৰ পৰিলক্ষিত হৈছে। নিত্য-নৈমিত্তিক পূজা ভাগি যথা ৰীতি-নীতিৰে পৰিচালিত হৈ আহিছে। চতুৰ্থ দিনা সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে ভাৰতীয় জনতা পাৰ্টীৰ জনজাতীয় মৰ্চাৰ ৰাজ্যিক সমিতিৰ উপ সভাপতি মনোজ ৰাভা ওৰফে দৃষ্টি ৰাজখুৱাই। পঞ্চম দিনা সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে বকো প্ৰেছ ক্লাবৰ সভাপতি গোবিন্দ দলৈয়ে। ষষ্ঠ দিনা সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ উপ সভাপতি প্ৰদীপ ৰাভাই। ইফালে আজি সপ্তম দিনাৰ যথা ৰীতি মতে পূজা পৰিচালনা কৰা হৈছে। আজিও নিশা সাংস্কৃতিক মঞ্চ উদ্বোধন কৰি বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠান পৰিৱেশন কৰা হ'ব। ইফালে প্ৰতিদিনে ৰাস স্থলীত ধৰ্মীয় আৰু সামাজিক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। সকলোৰে বকো আঞ্চলিক ৰাস মহোৎসৱ উদযাপন সমিতিৰ উজ্বল কামনা কৰি শুভেচ্ছা জনাইছে। ইফালে ৰাস উদ্‌যাপন সমিতিৰ সভাপতি বিষ্ণু কলিতা, কাৰ্য্যকৰী সভাপতি প্ৰবীণ তালুকদাৰ, প্ৰচাৰ সম্পাদক বিষ্ণু ৰাম দাস আৰু সাধাৰণ সম্পাদক দীপাংকৰ ৰাভা ওৰফে জীতুই জনোৱা অনুসৰি অহা ১৫ নৱেম্বৰলৈ ৰাসৰ কাৰ্য্যসূচী নিত্য নৈমিত্তিকভাৱে চলিব।

গোৱালপাৰা জিলা আয়ুক্ত লিখিত অভিযোগ দাখিল ভুক্তভোগীৰ

# খৰি ব্যৱসায়ীৰ পৰা উৎকোচ লোৱাৰ অভিযোগ কৃষ্ণাইৰ বন পালক জগদীশ বৰ্মনৰ বিৰুদ্ধে

**অসম বাৰ্তা, গোৱালপাৰা, ১২ নৱেম্বৰ ঃ** কৃষ্ণাই বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ বন পালক (এক) জগদীশ বৰ্মনৰ বিৰুদ্ধে অনৈতিকভাৱে ধন লোৱাৰ অভিযোগ উঠিছে। এই অভিযোগ দাখিল কৰিছে গোৱালপাৰা জিলাৰ মৰনৈ থানাৰ অন্তৰ্গত তিনকোনীয়াপাৰা গাঁৱৰ কেৰামত আলীয়ে। অভিযোগ অনুসাৰে, যোৱা ৯ ছেপ্তেম্বৰ তাৰিখে কেৰামত আলীয়ে কৃষ্ণাইৰ টিয়াপাৰাৰ পৰা আম আৰু ৰবৰ গছৰ খৰি ক্ৰয় কৰি নিজৰ AS25 DC 6999 নম্বৰৰ ট্ৰাকত খৰিখিনি লৈ আহি থকা অৱস্থাত বলবলাত বন পালক জগদীশ বৰ্মনৰ নেতৃত্বত থকা ছজনীয়া বন কৰ্মীৰ দলটোৱে গাড়ীখন আগভেটী ধৰে। তেতিয়া বন পালক বৰ্মনে ধন দাবী কৰে আৰু ধন নিদিলে গাড়ী জব্দ কৰি কাৰ্যালয়লৈ লৈ যোৱাৰ ভাবুকি দিয়ে বুলি অভিযোগত উল্লেখ কৰা হৈছে। অভিযোগকাৰীয়ে কয়, পৰিয়াল পোহপালৰ বাবে Sesh Bio Tech Pvt. Ltd., মৰনৈত খৰি বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰে। সেইদৰে ভয়ৰ ফলত জগদীশ বৰ্মনে দাবী কৰা ৬০ হাজাৰ টকা দিবলৈ তেওঁ বাধ্য হয়। বন পালক বৰ্মনে গাড়ীখন পাইকান—তুৰা ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকা শালবাগানৰ কাষলৈ লৈ যাবলৈ নিৰ্দেশ দিয়ে আৰু তাত ধন লোৱাৰ ঘটনাটোৰেই অভিযোগত স্পষ্টকৈ উল্লেখ কৰা হৈছে। ইয়াৰ পূৰ্বে ৰেঞ্জাৰ দেৱব্ৰত শৰ্মা, বন পালক (এক) জগদীশ বৰ্মন আৰু কেৰাণী ৰকিবুল ইছলামে ৰঞ্জিত চন্দ্ৰ ৰয় নামৰ এজন লোকক লকআপত ৰাখি ধন লৈ এৰি দিয়াৰ বাতৰি প্ৰকাশ পোৱাৰ পাছত ৰেঞ্জাৰ দেৱব্ৰত শৰ্মাক নিলম্বিত কৰা হৈছিল। তাৰ পিছত আকৌ কেৰামত আলীয়ে জগদীশ বৰ্মনৰ বিৰুদ্ধে জিলা আয়ুক্তক লিখিতভাৱে অভিযোগ দাখিল কৰে। ইয়াৰ আগত কাৰিমা খাতুন নামৰ এগৰাকী ভুক্তভোগীয়েও একে ধৰণৰ অভিযোগ দাখিল কৰিছিল যদিও "অদৃশ্য শক্তিৰ" আশীৰ্বাদত জগদীশ বৰ্মনে এতিয়াও দপদপাই আছে বুলি স্থানীয় লোকে মন্তব্য কৰিছে। কেৰাণী ৰকিবুল ইছলামকো কেৱল সামান্যভাৱে বদলি কৰা হৈছে বুলি অভিযোগ উঠিছে। গোৱালপাৰাৰ সচেতন মহলে এই ঘটনাৰ সম্পূৰ্ণ তদন্ত কৰি বন পালক জগদীশ বৰ্মনৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক দাবী জনাইছে।

এই মৃত্যুক 'চৰকাৰী হত্যা' আখ্যা আমছু নেতা আনিমুল হক চৌধুৰীৰ

# গোৱালপাৰাৰ উচ্ছেদিত আশ্ৰয় শিবিৰত ৰমিছা খাতুন নামৰ মহিলাৰ মৃত্যু

**অসম বাৰ্তা, গোৱালপাৰা, ১২ নৱেম্বৰ ঃ** গোৱালপাৰাৰ হাঁচিলা গাঁৱৰ উচ্ছেদিত শিবিৰত মনছেৰ আলীৰ পত্নী ৰমিছা খাতুন নামৰ ৬০ বছৰ উৰ্ধ্বৰ এগৰাকী নিৰীহ মহিলাৰ আজি মৃত্যু হয়। যোৱা ১৭ জুন তাৰিখে চৰকাৰে অমানৱীয়ভাৱে উচ্ছেদ অভিযান চলাই ঘৰ-বাৰী ভাঙি দিয়াত মুক্ত আকাশৰ তলত জীৱন যাপন কৰিবলৈ বাধ্য হোৱা এই সকল লোক মানসিকভাৱে গভীৰ আঘাতপ্ৰাপ্ত হৈছে। ৰ'দ-বৰষুণ, বতাহ আৰু ঠাণ্ডা নেওচি আশ্ৰয়হীন জীৱন-যাপন কৰাৰ ফলত মানসিক চাপত পৰি এজনৰ পিছত এজনকৈ পুৰুষ-মহিলাৰ মৃত্যু ঘটিব ধৰিছে। আজিলৈকে মুঠ ছয়জন ব্যক্তিৰ মৃত্যু হোৱাত গভীৰ ক্ষোভ প্ৰকাশ কৰে আমছুৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক আনিমুল হক চৌধুৰীয়ে। চৌধুৰীয়ে উক্ত ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় "আচলতে সাংবিধানিক অধিকাৰ খৰ্ব হৈছে, মৌলিক অধিকাৰ খৰ্ব হৈছে, শিশু-মহিলাৰ অধিকাৰ খৰ্ব হৈছে। চৰকাৰী যড়যন্ত্ৰৰ বলি হোৱা এই সকল লোকক এক প্ৰকাৰ চৰকাৰী হত্যা কৰা হৈছে। চৌধুৰীয়ে লগতে কয় যে, গোৱালপাৰা জিলা আয়ুক্ত কাৰ্য্যালয়ৰ পৰা মাত্ৰ দুই কিলোমিটাৰ দূৰত উচ্ছেদিতসকলে চাৰিটা স্থানত শিবিৰ পাতি ন্যায়ৰ বাবে আৰু ন্যায্য প্ৰাপ্যৰ বাবে অপেক্ষা কৰি আছে। কিন্তু এই অতি সৰু দূৰত্ব অতিক্ৰম কৰি তেওঁলোকৰ খবৰ ল'বলৈ এতিয়ালৈকে কোনো এজন উচ্চপদস্থ চৰকাৰী বিষয়া অহা নাই।" তেওঁ লগতে কয়, "সংবিধানে দিয়া মৌলিক অধিকাৰ অন্ন, বস্ত্ৰ, বাসস্থানৰ ব্যৱস্থা চৰকাৰে কৰিবলৈ লাগিছিল, কিন্তু উচ্ছেদৰ পাঁচ মাহ পাৰ হোৱাৰ পাছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। বৰঞ্চ কোনোবা দল, সংগঠন বা বে-চৰকাৰী সংস্থাৰ তৰফৰ পৰা সহায় সামগ্ৰী বিতৰণ কৰিবলৈ আহিলে প্ৰশাসনিক তৰফৰ পৰা যথেষ্ট বাধা সৃষ্টি কৰা পৰিলক্ষিত হৈছে। এই পৰিস্থিতিত কেনেকৈ জীৱন নিৰ্বাহ কৰিব এই সকল বৈধ নথিপত্ৰ থকা প্ৰকৃত ভাৰতীয় নাগৰিকে? প্ৰশ্ন তুলি চৌধুৰীয়ে কয়, "আগলৈ যাতে কোনো এজন লোক শিবিৰত খাদ্যৰ অভাৱত, চিকিৎসাৰ অভাৱত বা চাফ-চিকুণতাৰ অভাৱত মৃত্যুক সাবটি ল'ব লগা নহয়, সেইবাবে চৰকাৰে অবিলম্বে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

লৌহ মানৱৰ ১৫০ বছৰীয়া জয়ন্তীত আজি চিত্ৰাংকণ প্ৰতিযোগিতা

# তিনিচুকীয়াত একতাৰ পদযাত্ৰাত দুই সহস্ৰাধিক লোকৰ বিশাল সমদল

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ নৱেম্বৰ ঃ** দেশৰ প্ৰথম গৃহমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে আজি তিনিচুকীয়া চহৰত বৃহৎ একতাৰ পদযাত্ৰা উলিওৱা হয়। জিলা প্ৰশাসনৰ উদ্যোগত বৰগুৰিৰ ল'ৰাৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা পুৱা ৭.৩০ বজাত এই পদযাত্ৰাত পতাকা জোকাৰি আনুষ্ঠানিকভাৱে মুকলি কৰে তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিশানে। তেওঁৰ লগতে জিলা আয়ুক্ত স্বপ্নীল পাল, আৰক্ষী অধীক্ষক মায়ঙ্ক কুমাৰ, জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, তিনিচুকীয়া পৌৰসভাৰ সভাপতি পুলক চেতিয়া, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁই, মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ প্ৰমুখ্যে জিলাখনৰ বিভিন্ন দল-সংগঠনৰ ভালেমান গণ্যমান্য ব্যক্তিয়ে এই সমদলত অংশগ্ৰহণ কৰে। স্থানীয় সচেতন নাগৰিক, বিদ্যালয় -মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসহ দুই সহস্ৰাধিক লোকে বেণ্ডৰ সৈতে তাল মিলাই প্ৰায় চাৰি কিলোমিটাৰ দূৰৰ চহৰৰ থানা চাৰিআলিলৈ যায়। উক্ত স্থানত স্থাপন কৰা অস্থায়ী মঞ্চত ৰাইজক সম্বোধন কৰি বিধায়ক সঞ্জয় কিশানে কয় যে, চৰ্দাৰ পেটেলে স্বাধীনতাৰ সময়ৰ বহুধা বিভক্ত দেশখনক এক কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সেয়েহে তেওঁৰ জন্ম দিনটোক আমি একতাৰ দিন হিচাপে উদযাপন কৰো। এইগৰাকী মহান নেতাৰ আদৰ্শৰে আমিও সকলো ভেদা-ভেদ পৰিহাৰ কৰি একতাৰ দোলেৰে অগ্ৰসৰ হ'ব লাগিব বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ পূৰ্বে বৰগুৰিৰ খেলপথাৰত ঠিক ৭ বজাতে আৰম্ভ হোৱা পদযাত্ৰা সমাৰোহত আদৰণি ভাষণ দিয়ে জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাসে। জিলা আয়ুক্ত স্বপ্নীল পালেও প্ৰশাসনৰ আহ্বানৰ প্ৰতি সঁহাৰি দি বিভিন্ন সামাজিক সংগঠন তথা ৰাইজে এই সমদলত ব্যাপক হাৰত অংশগ্ৰহণ কৰিবলৈ আগবাঢ়ি অহাটো এটা অতি ইতিবাচক শুভবাৰ্তা বুলি উল্লেখ কৰে। পদযাত্ৰাৰ পূৰ্বে দেশপ্ৰেমমূলক নৃত্য আৰু চৰ্দাৰ পেটেলৰ জীৱনৰ আদৰ্শৰ আধাৰত প্ৰস্তুত কৰা বাটৰ নাট এখনো প্ৰদৰ্শন কৰা হয়। ইফালে জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে যে, ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে জিলা প্ৰশাসনৰ উদ্যোগত কাইলৈ, ১২ নৱেম্বৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ঠাইতে অঁকা চিত্ৰাংকণ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত দুটা ভাগত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব য'ত, বিদ্যালয়ৰ পৰা নিৰ্বাচিত এজনকৈ ছাত্ৰ বা ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখৰ ডিচি ভিষ্টা উদ্যানতে এই প্ৰতিযোগিতা পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। তদুপৰি ১৯ নৱেম্বৰত সন্মিলন কেন্দ্ৰত কুইজ প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

# অবৈধ প্ৰব্ৰজনকাৰীৰ বিৰুদ্ধে সৰৱ নামতিৰ গণক আদৰ্শ গাঁৱৰ ৰাইজ

**অসম বাৰ্তা, গেলেকী, ১২ নৱেম্বৰ ঃ** অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে অসমৰ বিভিন্ন প্ৰান্তত উচ্ছেদ অভিযান চলি থকাৰ মাজতেই অবৈধ প্ৰব্ৰজনকাৰীৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে শিৱসাগৰ জিলাৰ নামতিৰ গণক আদৰ্শ গাঁৱৰ ৰাইজ। অভিযোগ অনুসৰি বিগত কেইবাবছৰ আগতে নামতি গণক আদৰ্শ গাঁৱত মাটি ক্ৰয় কৰি থিতাপি লৈছিল কেইবাঘৰো সন্দেহজনক লোকে। পৰৱৰ্তী সময়ত তেওঁলোকৰ পৰাই এঘৰ দুঘৰকৈ আন কেইবাটাও পৰিয়াল আহি থিতাপি লয়হি গাঁওখনত। পৰৱৰ্তী সময়ত স্থানীয় লোকে জানিব দিয়া মতে বিভিন্ন অপৰাধমূলক কাৰ্যত লিপ্ত হয় এই সকল লোক। তাৰ ভিতৰত অন্যতম গৰু চুৰি, সাঁচি চুৰি ইত্যাদি কাৰ্যত লিপ্ত হয় এইসকল লোক। ফলস্বৰূপে এতিয়া অঞ্চলটোৰ এখন বেয়া ছবি দেখিবলৈ পোৱা গৈছে। যাৰবাবে এতিয়া অঞ্চলটোৰ ৰাইজ সৰৱ হৈ পৰিছে একাংশ সন্দেহজনক লোকৰ বিৰুদ্ধে। অতি সোণাকালে এইসকল সন্দেহজনক লোকে গাঁও এৰি যোৱাৰ দাবীৰে এক মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজে। প্ৰতিবাদ সাব্যস্ত কৰি অতি সোনকালে এই সকল লোকে উক্ত স্থানৰ পৰা আঁতৰি নগলে পৰৱৰ্তী সময়ত জংগী আন্দোলনৰ হুংকাৰ প্ৰদান কৰিছে।

বৰপেটাত "চৰ্দাৰ @১৫০ ঐক্য যাত্ৰা"ৰ আনুষ্ঠানিক উদ্বোধন

# চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, বৰপেটা সদৰ, ১২ নৱেম্বৰ ঃ** আজি বৰপেটাত চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ সংখ্যক জন্ম-জয়ন্তী উপলক্ষে, বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী তথা পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ উপস্থিতিত "চৰ্দাৰ@১৫০ ঐক্য যাত্ৰা"ৰ (Sardar@150 Unity March) আয়োজন কৰা হয়। এই কাৰ্যসূচীটোৱে একত্ৰিত ভাৰতৰ ভেটি স্থাপনত চৰ্দাৰ পেটেলৰ দূৰদৰ্শী আৰু গুৰুত্বপূৰ্ণ নেতৃত্বক স্মৰণ কৰা হয়। ৰাষ্ট্ৰীয় একতা, অখণ্ডতা আৰু সমন্বয়ৰ মূল আদৰ্শসমূহক প্ৰতিনিধিত্ব কৰা 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ ৰাষ্ট্ৰীয় লক্ষ্যৰ সৈতে ইয়াৰ সংগতি আছে। অনুষ্ঠানৰ আৰম্ভণিতে মন্ত্ৰীগৰাকীয়ে জিলা পুথিভঁৰালৰ চৌহদত এটা বৃক্ষৰোপণ কৰি পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম বিকাশৰ প্ৰতি সমূহীয়া দায়বদ্ধতা প্ৰদৰ্শন কৰে। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীৰ লগতে বৰপেটা জিলাৰ বিভিন্ন বিষয়া, বিভিন্ন সংস্থাৰ প্ৰতিনিধি, ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ ৰাইজে সৰ্দাৰ বল্লভভাই পেটেললৈ পুষ্পাঞ্জলি আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সাংস্কৃতিক কাৰ্যসূচীত অসমৰ বিভিন্ন সম্প্ৰদায়ৰ পৰম্পৰাগত নৃত্য আৰু দেশপ্ৰেমমূলক প্ৰদৰ্শনেৰে ৰাজ্যখনৰ বৈচিত্ৰ্যময় সংস্কৃতিক তুলি ধৰা হয়। এই উপলক্ষে আগবঢ়োৱা ভাষণত মন্ত্ৰী পাটোৱাৰীয়ে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত চৰ্দাৰ বল্লভভাই পেটেলৰ আদৰ্শৰ চিৰকালিন প্ৰাসংগিকতাৰ ওপৰত আলোকপাত কৰে। তেওঁ দৃঢ়তাৰে কয় যে ৰাষ্ট্ৰীয় সংহতিৰ হকে চৰ্দাৰ পেটেলৰ অদম্য সংকল্প আৰু গভীৰ সমৰ্পণ আজিও অনুকৰণীয় হৈ আছে। তদুপৰি, তেওঁ ভাৰতৰ উন্নয়নৰ লক্ষ্যসমূহ পূৰণ কৰিবলৈ নাগৰিকৰ দায়িত্ববোধ আৰু অংশগ্ৰহণমূলক উদ্যোগৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে এই কথা পুনৰবাৰ আঙুলিয়াই দিয়ে যে পৰিৱেশ সুৰক্ষা আৰু সাংস্কৃতিক সংৰক্ষণ হৈছে সন্তুলিত প্ৰগতিৰ অপৰিহাৰ্য উপাদান। তেওঁ সকলো নাগৰিকক, বিশেষকৈ যুৱক-যুৱতীসকলক, সামূহিক কল্যাণ আৰু পৰিৱেশৰ প্ৰতি দায়বদ্ধতাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অৰিহণা যোগাবলৈ আহ্বান জনায়। তেওঁ মন্তব্য কৰে যে ঐক্য যাত্ৰাৰ দৰে কাৰ্যসূচীবোৰে মনত পেলাই দিয়ে যে 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ চেতনা তৃণমূল পৰ্যায়ত অংশগ্ৰহণ, সহানুভূতি আৰু ভাগ-বতৰা কৰা নাগৰিক উদ্দেশ্যৰ মাধ্যমেৰেহে শক্তিশালী হয়। বৰপেটা জিলাৰ আয়ুক্ত ৰোহন কুমাৰ ঝাই তেওঁৰ বক্তব্যত স্পষ্ট কৰে যে এই ঐক্য যাত্ৰাই সামাজিক সমন্বয় আৰু সামূহিক অগ্ৰগতি বজাই ৰখাত প্ৰতিজন নাগৰিকৰ দায়বদ্ধতাৰ ওপৰত বক্তব্য প্ৰদান কৰে। তেওঁ 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ মূল্যবোধ বৰ্তাই ৰখাত ৰাইজৰ অংশগ্ৰহণ আৰু সাংস্কৃতিক অভিব্যক্তিৰ তাৎপৰ্য পুনৰ উল্লেখ কৰে। তেওঁ কাৰ্যসূচীটোক অৰ্থপূৰ্ণ আৰু সৰ্বাংগীণভাৱে সফল কৰি তোলাৰ বাবে ছাত্ৰ-ছাত্ৰী, সাংস্কৃতিক কৰ্মী, স্বেচ্ছাসেৱক, অংশগ্ৰহণকাৰী সংগঠনসমূহ আৰু সাধাৰণ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণক আন্তৰিকতাৰে প্ৰশংসা কৰে। অনুষ্ঠানৰ সমাপ্তিৰ পিছত, অভিভাৱক মন্ত্ৰীগৰাকীয়ে বৰপেটাৰ আৱৰ্ত ভৱনত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে আৰু সংবাদ মাধ্যমৰ কৰ্মীসকলক কিট বিতৰণ কৰে।

এন চি, চি, অৰ্ধসামৰিক বাহিনী, সৰ্বসাধাৰণ ৰাইজৰ অংশগ্ৰহণ

# গোলাঘাটত লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ তম জন্মজয়ন্তী উপলক্ষে একতা পদযাত্ৰা




**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১২ নৱেম্বৰ ঃ** লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ তম জন্ম জয়ন্তী উদযাপন উপলক্ষে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি আৰু গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আজি গোলাঘাটত এটি একতা পদযাত্ৰা আয়োজন কৰা হয়। পুৱা ৯ বজাত গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰাংগণৰ পৰা আৰম্ভ হোৱা এই পদযাত্ৰা কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই ফ্লেগ অফ কৰে। ইয়াৰ পূৰ্বে লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সাংসদ গৰাকীয়ে। পদযাত্ৰাত জিলা আয়ুক্ত পুলক মহন্ত, জ্যেষ্ঠ জিলা আৰক্ষী অধীক্ষক ৰাজেন সিং জিলা বিজেপিৰ সভাপতি চন্দ্ৰ জ্যোতি ঠাকুৰ, ১৪২ নং চি আৰ পি এফ, বিভিন্ন বিভাগীয় বিষয়া, সমাজকৰ্মী, নেশ্যনেল কেডেট কৰ্পছ (এনচিচি), নেশ্যনেল চাৰ্ভিচ স্কিম (এনএছএছ), স্কাউটছ আৰু গাইডছ, অসামৰিক প্ৰতিৰক্ষা বাহিনী, সচেতন নাগৰিক, সাংবাদিক, বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী তথা গোলাঘাটবাসী ৰাইজসহ ১৫০০ৰো অধিক অংশগ্ৰহণকাৰী উপস্থিত আছিল। ঐক্য, অখণ্ডতা আৰু ৰাষ্ট্ৰীয় চেতনাৰে মুখৰিত পদযাত্ৰাটোৱে নগৰখনৰ বিভিন্ন পথ পৰিক্ৰমা কৰি গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পত সমাপ্ত হয়। পদযাত্ৰাৰ অন্তত এক সংক্ষিপ্ত অনুষ্ঠানত উপস্থিত সকলোৱে একতা শপথ গ্ৰহণ কৰে, তাৰ পাছত এক সাংস্কৃতিক কাৰ্যসূচীও আয়োজন কৰা হয়। আজিৰ এই একতা পদযাত্ৰাৰ মূল উদ্দেশ্য আছিল দেশৰ একতা, অখণ্ডতা আৰু ভাতৃত্বৰ বোধ সুদৃঢ় কৰি লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ আদৰ্শ আৰু দেশপ্ৰেমৰ চেতনাক আগবঢ়োৱা।

**NAME CORRECTION**

Swarn before Notary Public at Kaliabor Sub-Division, that in my land Jamabandi copy under Garubandha Kissam, Mouza- Chatial, Nagaon vide P.P. No. 130, Dag No. 68, my name is enlisted as Anil Kumar instead of Ashis Kumar. And also in my land Jamabandi copy under Garubandha Kissam, Mouza- Chatial, Nagaon vide P.P. No. 64, Dag No. 175, my name is enlisted as Asif Kumar instead of Ashis Kumar. Anil Kumar, Asif Kumar and Ashis Kumar is the same and one person i.e. myself. Applying for correction at the appropriate authority.

Ashis Kumar
S/O- Mahadeu Kumar
Vill- Jakhalabandha
P.O./ P.S.- Jakhalabandha

AB-157/2025

বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰাক্তন ছাত্ৰ সমাৰোহ

# ১২ নবেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে মেৰাপানী টাউন হাইস্কুলৰ সোণালী জয়ন্তী অনুষ্ঠান

**অসম বাৰ্তা, মেৰাপানী, ১২ নৱেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তৱৰ্তী গোলাঘাট জিলাৰ মেৰাপানী টাউন উচ্চ মাধ্যমিক বিদ্যালয়ত ১২ নবেম্বৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হ'ল সোণালী জয়ন্তী অনুষ্ঠানত। কাৰ্যসূচী অনুসৰি আজি পুৱা ৭-৩০ আৰম্ভ হয় স্বচ্ছতাৰ অভিযান, আঠবজাত বৃক্ষৰোপণ কৰে মেৰাপানী বন বিষয়া আইহম শ্যামে, ৮-৩০ বজাত সোণালী জয়ন্তী উৎসৱৰ পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি ড° বিদুৰ কুমাৰ বৰুৱাই সহযোগকৰে অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি দেৱজিৎ বৰাই। ইয়াৰ পাছতে বিদ্যালয়ৰ একেলগে ৫০খন পতাকা উত্তোলনৰ শুভাৰম্ভ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মহিৰাম দাস আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষক নগেন বৰাই, ১০ বজাত স্মৃতি তৰ্পন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক মহেন বৰুৱা, নিতু মেছে, ১০-৩০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা শুভাৰম্ভ কৰে জাতীয় বিদ্যালয় মেৰাপানীৰ অধ্যক্ষা ৰূপা শইকীয়াই, চিত্ৰাংকন প্ৰতিযোগিতা পৰিচালনা কৰে দৈয়াং ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ শিক্ষক সুনিল বৰাই, ইয়াৰ পাছতে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ -ছাত্ৰী সকলৰ মাজত এটি শিক্ষানুষ্ঠানৰ শৈক্ষিক উত্তৰণত প্ৰাক্তন ছাত্ৰ- ছাত্ৰী সকলৰ ভূমিকা এটি আলোচনা শীৰ্ষক এখনি প্ৰাক্তন ছাত্ৰ ছাত্ৰী সমাৰোহ অনুষ্ঠিত হয়, সৰাহোত সভাপতিত্ব কৰে দৈয়াং ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ ড° বিদুৰ কুমাৰ বৰুৱাই, সমাৰোহখনি উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ ও শিক্ষক ধনবৰ খাকলাৰীয়ে, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে মৰঙী মহাবিদ্যালয়ৰ অধ্যাপক যুগলজ্যোতি বৰা, বিশিষ্ট অতিথি হিচাপে অৱসৰ প্ৰাপ্ত শিক্ষক বিৰেন বৰা, কেশৱ চন্দ্ৰ ফুকন, আমন্ত্ৰিত অতিথি হিচাপে গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰবীন গগৈ, মেৰাপানী প্ৰেছ ক্লাবৰ সম্পাদক ভদ্ৰেশ্বৰ বৰা, আলোক সন্ধানী শাখা সাহিত্য সভাৰ সভাপতি মদন গগৈ, দৈয়াং শাখা সাহিত্য সভাৰ সভাপতি কৃষ্ণ দত্ত, চি আৰ চি লোকেন্দ্ৰ বৰা, হিতেশ্বৰ দাস, সমাজকৰ্মী ভৰত দুৱৰা, প্ৰাক্তন ছাত্ৰ অনিল বৰা, ডিচেম্বৰ ফুকন, স্মাৰ্ট স্কুলৰ সঞ্চালক ৰাজীৱ ফুকন, অধ্যক্ষ লিলাধৰ কোঁৱৰ, মেৰাপানী টাউন হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী সকল, আৰু দৈয়াংৰ শিক্ষাপ্ৰেমী।

## সম্পাদকীয়

# আমাজনৰ বুকুত COP30

**আ**গন্তুক ১০ নৱেম্বৰত ব্ৰাজিলৰ বেলেম নগৰত ৰাষ্ট্ৰসংঘৰ জলবায়ু সন্মিলন COP30-ৰ আয়োজন হ'ব। আমাজনৰ বুকুত অনুষ্ঠিত হ'বলৈ যোৱা এই সন্মিলনে কঢ়িয়াই আনিছে এক গুৰুত্বপূৰ্ণ তাৎপৰ্য্য। কাৰণ, জলবায়ু সংকটৰ সৈতে আমাৰ যুদ্ধৰ আটাইতকৈ শক্তিশালী মিত্ৰ হ'ল আমাজনৰ দৰে বৰ্ষাৰণ্যসমূহ। কিন্তু একে সময়তে, এই বনাঞ্চলবোৰেই হৈছে মানৱসৃষ্ট লোভ-লালসাৰ বলি হ'বলগীয়া অঞ্চল। এনে এক পৰিৱেশত COP30-ই বিশ্ববাসীৰ ওচৰত কঢ়িয়াই আনিবলগীয়া বাৰ্তা হ'ল — পুৰণি প্ৰতিশ্ৰুতিসমূহ কাৰ্যকৰী কৰাৰ অতিৰিক্ত আৱশ্যকতা। গুৰুত্বপূৰ্ণ হ'ল, এইবাৰৰ সন্মিলনত এক অস্বস্তিকৰ সত্য স্বীকাৰ কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ মহাসচিব এণ্টনিঅ' গুটেৰেছে স্পষ্টকৈ কৈছে যে বিশ্বব্যাপী উষ্ণতা বৃদ্ধি ১.৫ ডিগ্ৰী চেলছিয়াছ সীমাত ৰখাৰ পেৰিছ চুক্তিৰ লক্ষ্যত আমি ব্যৰ্থ হৈছো। এই স্বীকাৰোক্তি এটা বিপদসংকেতৰ দৰে। ইয়াৰ অৰ্থ হ'ল, বতৰৰ চৰম পৰিৱৰ্তন, ধ্বংসাত্মক বানপানী, দীৰ্ঘস্থায়ী খৰাং, সাগৰৰ পানীৰ উচ্চতা বৃদ্ধি আদিৰ দৰে প্ৰকৃতিৰ প্ৰকোপ আমি আৰু বেছিকৈ অনুভৱ কৰিম। ইয়াতকৈয়ো ভয়াৱহ হ'ল 'টিপিং পইণ্ট' অতিক্ৰম কৰাৰ আশংকা। আমাজন বৰ্ষাৰণ্যই যদি শুকান ঘাঁহনিলৈ ৰূপান্তৰ হয়, তেন্তে পৃথিৱীয়ে কাৰ্বন ডাই-অ'ইড শোষণ কৰাৰ এটা বৃহৎ ক্ষমতা হেৰুৱাব, যাৰ ফলত জলবায়ু সংকট আৰু অধিক গভীৰ হ'ব। এই ক্ষতি হ'ব অপূৰণীয়। সেয়েহে, ব্ৰাজিলৰ পোষকতা কৰাৰ দৰে, নতুন প্ৰতিশ্ৰুতিৰ সলনি পুৰণি প্ৰতিশ্ৰুতিসমূহ কাৰ্যকৰী কৰাটোৱে হৈ পৰিছে সময়ৰ অন্যতম চাহিদা। সাধাৰণ মানুহৰ মনত ইয়াৰ ফলত কিছুমান প্ৰশ্নৰ উদয় হয়: কিমানবাৰ আমি একেটা প্ৰতিশ্ৰুতিকে শুনিবলগীয়া হ'ব? কিয় বছৰ বছৰ ধৰি আলোচনা হয়, কিন্তু প্ৰদূষণ ক্ৰমাগত বাঢ়িহে থাকে? COP28-ত গৃহীত হোৱা জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ ক্ৰমান্বয়ে হ্ৰাস কৰাৰ সিদ্ধান্ত কিয় বাস্তৱ ৰূপ ল'ব পৰা নাই? উন্নত দেশসমূহে ক্ষতিপূৰণ আৰু আৰ্থিক সহায়ৰ বাবে দিয়া প্ৰতিশ্ৰুতি কিয় পূৰ্ণ নহয়? এই সন্মিলনবোৰ নেকি কেৱল কথাৰে ভৰা এখন মঞ্চহে? COP30-ৰ সফলতা বহুপৰিমাণে এই প্ৰশ্নবোৰৰ সন্তোষজনক উত্তৰ দিয়াৰ ওপৰত নিৰ্ভৰ কৰিব। আয়োজক দেশ ব্ৰাজিলে, আমাজনৰ ৰক্ষক হিচাপে, এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। শেহতীয়াকৈ আমেৰিকাৰ নিষ্ক্ৰিয়তাৰ পৰিপ্ৰেক্ষিতত চীন, ভাৰত, দক্ষিণ আফ্ৰিকা আৰু ব্ৰাজিলৰ দৰে দেশসমূহৰ ওপৰত নেতৃত্বৰ দায়িত্ব অৰ্পণ হৈছে। তেওঁলোকে উন্নত দেশসমূহক তেওঁলোকৰ ঐতিহাসিক দায়বদ্ধতাৰ সোঁৱৰণ কৰুৱাই জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা কমোৱাৰ বাবে চৰকাৰী আৰু বেচৰকাৰী পুঁজিৰ সোঁত বন্ধ কৰিবলৈ বাধ্য কৰিব লাগিব। আনহাতে, আমাজনৰ বুকুত বহিবলগীয়া হোৱা বাবে খিলঞ্জীয়া সম্প্ৰদায় আৰু স্থানীয় জনগোষ্ঠীৰ অধিকাৰ আৰু জ্ঞানক এই সন্মিলনৰ কেন্দ্ৰবিন্দুলৈ অনাটো অপৰিহাৰ্য। কেৱল আমাজনতেই ৪০০তকৈ অধিক খিলঞ্জীয়া গোটৰ বাস, যি এই অঞ্চলৰ প্ৰায় ১০ শতাংশ জনসংখ্যা। জলবায়ু সংকটৰ বাবে সৃষ্টি হোৱা সমস্যাত সিহঁতেই আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত, অথচ ইয়াৰ বাবে সিহঁতৰ অৱদান নগণ্য। সিহঁতৰ পৰম্পৰাগত জ্ঞান আৰু বনাঞ্চল ৰক্ষাৰ অভিজ্ঞতাই হ'ব পাৰে আমাৰ যুঁজৰ আটাইতকেও শক্তিশালী অস্ত্ৰ। সিহঁতক সন্মিলনৰ পৰা আতৰত ৰখাটো এক ডাঙৰ ভুল হ'ব। COP30-ৰ সফলতা জোখা হ'ব নতুন চুক্তিৰ সংখ্যাৰে নহয়, বৰঞ্চ জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা কিমানদূৰ কমাব পাৰি, ক্ষতিগ্ৰস্ত দেশবোৰলৈ প্ৰতিশ্ৰুত আৰ্থিক সহায় কিমানদূৰ ঘূৰাই দিব পাৰি, আৰু খিলঞ্জীয়াসকলক সিহঁতৰ ভূমিকাৰ বাবে কিমানদূৰ সন্মান আৰু সুৰক্ষা দিব পাৰি, তাৰে দ্বাৰা। ১.৫ ডিগ্ৰীৰ লক্ষ্য সাধাৰণ মানুহৰ বাবে এটা সংখ্যা নহয়, ইয়াৰ পিছত আছে খাদ্য নিৰাপত্তা, বসতিস্থান আৰু ভৱিষ্যত প্ৰজন্মৰ জীৱন-জন্তু। আমাজনৰ মাজত বহি বিশ্ব নেতাসকলে যেন এই সত্যকেই মনত ৰাখে যে, প্ৰকৃতিৰ সৈতে আমি যুদ্ধ কৰি নাই, আমাৰ যুদ্ধ হ'ল আমাৰ নিজৰ সৃষ্টি কৰা লোভ আৰু নিৰ্লিপ্ততাৰ বিৰুদ্ধে। সময় হেৰাই যাওঁতেই, কথাৰ সলনি কাৰ্য্যৰ প্ৰয়োজন।

◀◀ দেশৰ উৎপাদিত সামগ্ৰী নিজ নিজ ক্ষেত্ৰত বিতৰণ হোৱাৰ উপৰিও আন আন দেশলৈ ৰপ্তানি কৰা হয়। আন দেশৰ সামগ্ৰী আমাৰ দেশে আমদানি কৰে। তাৰ সৈতে জড়িত হৈ থাকে বিভিন্ন শুল্ক। বিভিন্ন যাতায়াত ব্যৱস্থাৰ ব্যয়। কৃষি উৎপাদনৰ লগত জড়িত হৈ থাকে বিভিন্ন সাৰ আৰু কীটনাশক দৰৱৰ খৰচ, কৃষকৰ মজুৰি, জলসিঞ্চনৰ খৰচ, ইন্ধনৰ খৰচ আদি যোগ হয়। তাৰ পিছত নিৰ্দ্ধাৰণ হয়। মূল্যবৃদ্ধিৰ আন এটা ডাঙৰ কাৰক। প্ৰায়েই বিশ্বৰ বিভিন্ন স্থানত যুদ্ধ চলি থকা দেখা যায়। ▶▶

# মল্যবৃদ্ধি আৰু চৰকাৰ-বিৰোধীৰ টনা-আজোৰা

**ড° আৰ কে বেজবৰুৱা**



**আ**জি বহু বছৰ ধৰি আমি দেখি আছোঁ মুল্যবৃদ্ধিক লৈ চৰকাৰ আৰু বিৰোধীৰ মাজত টনা আজোৰা চলি থাকে। যেন এখন বহুৱালি। কোনোবাই পিঁয়াজৰ মালা পিন্ধি ৰাজপথত চিঞৰে, কোনোবাই গেছ চিলিণ্ডাৰ চোঁচৰাই - বগৰাই চিঞৰে। কোনোবাই গৰু গাড়ীত উঠি বজাৰলৈ যায় আৰু কোনোবাই মানুহৰেই কান্ধত উঠি প্ৰচাৰ মাধ্যমৰ সন্মুখত ওলায়। কিন্তু বস্তুৰ দাম নকমে, মধ্যবিত্তৰ পাগঘৰত ওলোৱা চকুপানী বন্ধ নহয়।

মূল্যবৃদ্ধি নিয়ন্ত্ৰণ সম্ভৱ নহয়। তাৰ প্ৰকৃত কাৰণ বিশে-ষণ কৰিব পাৰিব কেৱল অৰ্থনীতিৰ বিশাৰদ সকলে। কিন্তু সাধাৰণ মানুহেও ক'ব পাৰে যে এখন দেশৰ অৰ্থনীতিৰ উত্থান-পতন কেৱল এখন দেশ বা ৰাজ্যৰ বেহা-বেপাৰৰ ওপৰত নিৰ্ভৰ নকৰে। বৰ্তমান ভাৰত বা অসমৰ অৰ্থনীতি এটা ভূখণ্ডৰ মাজত আবদ্ধ হৈ থকা নাই। দেশৰ উৎপাদিত সামগ্ৰী নিজ নিজ ক্ষেত্ৰত বিতৰণ হোৱাৰ উপৰিও আন আন দেশলৈ ৰপ্তানি কৰা হয়। আন দেশৰ সামগ্ৰী আমাৰ দেশে আমদানি কৰে। তাৰ সৈতে জড়িত হৈ থাকে বিভিন্ন শুল্ক। বিভিন্ন যাতায়াত ব্যৱস্থাৰ ব্যয়। কৃষি উৎপাদনৰ লগত জড়িত হৈ থাকে বিভিন্ন সাৰ আৰু কীটনাশক দৰৱৰ খৰচ, কৃষকৰ মজুৰি, জলসিঞ্চনৰ খৰচ, ইন্ধনৰ খৰচ আদি যোগ হয়। তাৰ পিছত নিৰ্দ্ধাৰণ হয়। মূল্যবৃদ্ধিৰ আন এটা ডাঙৰ কাৰক।

প্ৰায়েই বিশ্বৰ বিভিন্ন স্থানত যুদ্ধ চলি থকা দেখা যায়। যুদ্ধ বিধ্বস্ত অঞ্চলৰ মাজেৰে আমদানি ৰপ্তানি কৰা বস্তুৰ ওপৰত প্ৰভাৱ পৰে। তাৰ প্ৰভাৱ বিশ্ব অৰ্থনীতি উত্থান-পতনৰ ওপৰত পৰে। বিভিন্ন ঠাইত খৰাং বতৰ, বানপানী, পোকৰ আক্ৰমণ আদিৰ ফলত শষ্যৰ ক্ষতি হয়। বহুবিধ কৃষিজাত সামগ্ৰীৰ ওপৰত এম এছ পি নিৰ্ধাৰণ কৰা হয়। ফলত দ্ৰব্যৰ মূল্য বৃদ্ধি হয়। ৰোগৰ প্ৰাদুৰ্ভাৱৰ ফলতো শ্ৰমিকৰ নাটনি হয় বা অধিক মজুৰিত শ্ৰম ক্ৰয় কৰিব লগীয়া হয়। এনেকুৱা অনেক কাৰকে মূল্যবৃদ্ধি ঘটায়।

বৰ্তমান মানুহৰ হাতত চৰকাৰে অনেক আঁচনি তুলি দিছে। তাৰ বাবে প্ৰয়োজন হোৱা ধন চৰকাৰে বিভিন্ন কৌশলেৰে আহৰণ কৰে। ফলত বিক্ৰীৰ ওপৰত টে' বা শুল্ক নিৰ্ধাৰণ কৰিব লগীয়া হয়। চৰকাৰে বিক্ৰী কৰ, সেৱা কৰা তথা জি এছ টি লগাই ৰাজহ আহৰণৰ ব্যৱস্থা কৰে।

চৰকাৰে বৰ্তমান খাদ্য সুৰক্ষা, অৰুণোদয়, গৰীৱ কল্যাণ, এনৰেগা, কৃষি ঋণ, বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন, জননী সুৰক্ষা, লাখপতি বাইদেউ আদি বিভিন্ন আঁচনি মানুহৰ হাতত তুলি দি হিতাধিকাৰীসকলক জীয়াই থকাৰ যুঁজত সহায় কৰি আহিছে। গতিকে মূল্য নিয়ন্ত্ৰণ সম্ভৱ নহয়।

নিশ্চয় ভাল কথা, ভাল আঁচনি। কিন্তু যিসকলক এইবোৰ আঁচনিয়ে ঢুকি নাপায়, তেওঁলোকৰ অৱস্থাৰ কথা চিন্তা কৰিব নালাগে নেকি? তেনেকুৱা মানুহো দেশত লাখ লাখ আছে। সেই মানুহবোৰে আজিলৈকে চৰকাৰৰ পৰা কোনো সুবিধা পোৱা নাই। কিন্তু বিগত বছৰবোৰত তেওঁলোকে ভোট দি আছে, মূল্যবৃদ্ধিৰ উৎপীড়নৰ বলি হৈয়েই আছে। আশা কৰি আছে - ভাল দিন অহাৰ বাবে। কিন্তু কেতিয়াবা তেওঁলোকৰ বাবে ভাল দিন আহিবনে নে নাহে সেয়া বিৰোধীৰ চিন্তা।

আজি কালি মূল্য নিয়ন্ত্ৰণৰ বাবে জনসাধাৰণে মাত নামাতে। কাৰণ একেটাই- মাত মাতি লাভ নাই। হিতাধিকাৰীয়ে মাত মতাৰ প্ৰশ্নই নুঠে। তেওঁলোকে পাই থকা সুবিধা হেৰুওৱাৰ ভয় নিশ্চয় থাকে। বৰ্তমান চৰকাৰী চাকৰিয়ালৰ দৰমহা বৃদ্ধি হৈয়েই আছে। স্কুল-কলেজ পৰ্য্যায়লৈ বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ডিগ্ৰী পৰ্যায়লৈকে বিনামূলীয়া পাঠ্যপুথিৰ ( কিতাপৰ মূল্য ) যোগান ধৰা হৈছে। নিযুত মইনা আঁচনিৰ অধীনত বহু হাজাৰ দুখীয়া ছাত্ৰীক আৰ্থিক সকাহ দিয়াৰ চেষ্টা কৰা হৈছে। সামগ্ৰীক ভাবে মূল্য বৃদ্ধিয়ে সাধাৰণ মানুহক ব্যতিব্যস্ত কৰিব পৰা নাই। তাৰ আন এটা কাৰণো আছে।

সাধাৰণ খাটি খোৱা মানুহে প্ৰতিবাদ কৰিব নোৱাৰে। ৰাজপথলৈ ওলাই আহি তেওঁলোকে একোটা দিনৰ উপাৰ্জনৰ পইচাকেইটা হেৰুৱাব নোখোজে। তাতকৈ দ্ৰব্য মূল্যৰ সৈতে সহযোগ কৰাই ভাল। আজি কালি চিকিৎসাৰ খৰচ কিমান বৃদ্ধি পাইছে, তাক নকলেও হ'ব। প্ৰাইভেট হস্পিটেলত ক'লোনৰ অপাৰেচন এটাত ডাক্তৰৰ ফীজ ২০০০০০ লাখ টকা। তথাপিয়ো বেচৰকাৰী হস্পিটেললৈ যোৱা মানুহৰ অভাৱ নাই। মেডিকেল কলেজত বিনা পইচাতে সকলো ৰোগৰ চিকিৎসা সম্ভৱ।

যিসকল লোকে মূল্যবৃদ্ধিৰ ওপৰত মাত মাতি আছে, তেৰোঁলোক আজিৰ পৰা তিনিটা দশক আগৰ দ্ৰব্য মূল্যৰ হিচাপ দাঙি ধৰিছে আৰু বৰ্তমানৰ মূল্যৰ পৰিসংখ্যা নিৰ্ধাৰণ কৰিছে। সেই ক্ষেত্ৰত সদায়ে মানুহৰ বৰ্তমানৰ মজুৰি বা চৰকাৰী চাকৰিয়ালৰ দৰমহা বৃদ্ধিৰ কথাটো উহ্য ৰখা হয়। তিনিটা দশকৰ আগতে যদি এজন লোকৰ দৰমহা আছিল ১৮০০.০০ টকা আজি তেওঁৰ দৰমহা হৈছে ৮০০০০.০০ টকা। সেই সময়ত তেওঁ ঘৰৰ খৰচ কৰি উঠাৰ পিছত ১২০০ চাইকেল এখন কিনোতে চাৰি-পাঁচটা কিস্তিত কিনিব লগা হৈছিল। একে ধৰণে আজি সেই একেজন মানুহেই ১৫০০০০.০০ টকীয়া মটৰ চাইকেলখন ২৪টা কিস্তিত কিনে। আজি তেওঁ অকল মটৰ চাইকেলৰ কথা নাভাবে। এপেল মোবাইল, লেপটপ, ফ্ৰীজ, ৱাশ্বিং মেছিন, চাৰিচকীয়া বাহন, দামী ৰিজৰ্টত খোৱাৰ চখো ৰাখে। গতিকে মূল্যবৃদ্ধিৰ কথাটো এটা যাদুকৰী শব্দ। তাক লৈ জনসাধাৰণৰ মূৰ কামোৰণি নাই যেন বোধ হয়। কেৱল বিৰোধী ৰাজনৈতিক দল সংগঠনৰ ভাষণত তাৰ সীমাবদ্ধতা।

পেট্ৰ'ল-ডিজেলত কেতিয়াবা ১ টকাৰ পৰা ৫ū৬ টকা কমে। কিন্তু তাৰ পৰা যাত্ৰীৰ লাভ নহয়। এবাৰ বাছৰ ভাড়া যি বাঢ়িল, সি তেনেকৈয়ে থাকিল। পৰিবহণৰ ইতিহাসত ভাড়া কম হোৱাৰ নজিৰ আছে নে ক'ৰবাত? সেই কথাটো মানুহৰ সিমান কৌতুহলো নাই। বেছিভাগ মানুহেই আজি কালি নিজা গাড়ীত ভ্ৰমণ কৰে। লাগিলে দুটকা যাওক, আৰামদায়ক ব্যৱস্থা সকলোৱে বিচাৰে। সেয়া অতি ওচৰৰ পৰা দেখা যায় গুৱাহাটীৰ দৰে ডাঙৰ ডাঙৰ মহানগৰীত। মহানগৰীৰ দুই তৃতীয়াংশ লোকে কম খৰচী চিটিবাছ বাদ দি ওলা-উবেৰত ভ্ৰমণ কৰে।

তথাপিয়ো সাধাৰণ মানুহে আশা কৰে- চৰকাৰে বজাৰ-দোকান ভ্ৰমণ কৰক। সকলোৱে চলিব পৰাকৈ ন্যূনতম দ্ৰব্য মূল্য নিৰ্ধাৰণ কৰক। তাৰ মাজতে ইয়াকো লক্ষ্যত ৰাখিব লাগিব, যাতে বিক্ৰীদাৰে লোকচান ভৰিব নালাগে। বিৰোধী ৰাজনৈতিক দলৰ লোক সকলেও হুলস্থুল কৰি থকাতকৈ বজাৰ অধ্যয়ন কৰি নিম্নতম দ্ৰব্য মূল্য নিৰ্ধাৰণ কৰাত চৰকাৰক পৰামৰ্শ দিয়ক। হুলস্থুলত সময়ৰ অপচয় হয় আৰু সাধাৰণ মানুহৰ ওচৰত ভাৱমূৰ্তি লাঘৱ হোৱাৰ সম্ভাৱনা থাকে।

*সম্প্ৰতি অসমত ধান খেতি কৰা মানুহৰ সংখ্যা লক্ষণীয়ভাৱে হ্ৰাস পাইছে। পথাৰে আকৰ্ষণ কৰিব পৰা নাই অসমৰ কৃষকক। পথাৰত উন্নত পানী যোগান ব্যৱস্থাৰ অভাৱৰ বাবে এতিয়াও অসমৰ অধিকাংশ কৃষক বৰষুণৰ ওপৰতে নিৰ্ভৰশীল।*



# আঘোণৰ সোণগুটি আৰু কৃষকৰ উচুপনি

**কমলেখ কাঞ্চন**

**স**ন্মুখত হেঁপাহৰ আঘোণ। আঘোণ বুলিলেই ন-খোৱা উৎসৱ আৰু খেতি পথাৰ সোণগুটিৰে উপচি থকাৰ কথাই মনলৈ আহে। আহাৰ - শাওণ মাহত কৃষকে দেখা সপোন এতিয়া বাস্তৱত পৰিণত হ'বলৈ আৰু কেইটা মান দিনহে বাকী আছে। কিন্তু কৃষকৰ এই সপোন সঁচাকৈ বাস্তৱত পৰিণত হয়নে? কিমান লাভৱান হৈছে অসমৰ কৃষক! কথাবোৰ নিশ্চয় চিন্তনীয়। এতিয়া বাতৰি কাকত, আলোচনী আদিত বিভিন্ন লেখকে অসমৰ কৃষি ভূমি কমি যোৱাৰ প্ৰসংগটো সজোৰে উত্থাপন কৰি আছে। কিন্তু চৰকাৰৰ পৰা কোনো গ্ৰহণ যোগ্য সমাধান দিয়া পৰিলক্ষিত হোৱা নাই। কৃষি ভূমি বহিৰাগতৰ হাতত বিক্ৰী কৰাৰ কথাই প্ৰায়ে বাতৰি কাকতৰ শিৰোনাম দখল কৰে। কৃষকৰ ভূমি সুৰক্ষা দিয়াটো চৰকাৰৰ কৰ্তব্য। সম্প্ৰতি অসমত ধান খেতি কৰা মানুহৰ সংখ্যা লক্ষণীয়ভাৱে হ্ৰাস পাইছে। পথাৰে আকৰ্ষণ কৰিব পৰা নাই অসমৰ কৃষকক। পথাৰত উন্নত পানী যোগান ব্যৱস্থাৰ অভাৱৰ বাবে এতিয়াও অসমৰ অধিকাংশ কৃষক বৰষুণৰ ওপৰতে নিৰ্ভৰশীল। অত্যধিক ৰাসায়নিক সাৰৰ প্ৰয়োগে খৰচৰ মাত্ৰা বৃদ্ধি কৰিছে। ধান খেতি হৈ পৰিছে ব্যয়বহুল। এবিঘা মাটি ধান খেতি কৰিবলৈ হ'লে এতিয়া প্ৰায় ৬-৭ হাজাৰ টকা খৰচ হয়। কিন্তু সেই অনুপাতে বজাৰত ধানৰ মূল্য নাই। কুনকুনি জহাৰ বাহিৰে প্ৰায় সকলো ধানেই এক হাজাৰতকৈ কম মূল্যত বিক্ৰী কৰিব লগা হয় অসমৰ কৃষকে। ধান ব্যৱসায়ীৰ পৰা জানিব পৰা মতে এইবাৰ অসমৰ কুনকুনি জহা বহিঃৰাষ্ট্ৰলৈ (ছৌডি আৰব) ৰপ্তানি কৰা হৈছে; ফলস্বৰূপে আশা কৰাতকৈ কৃষকে বহুত লাভৱান হৈছে। কুনকুনি জহাৰ মূল্য এইবাৰ প্ৰতি মোনত ৩৭০০-৩৮০০ হৈছে (বৰ্তমান কমিছে)। যিটো পূৰ্বতকৈ দুগুণ বৃদ্ধি পাইছে। গতিকে কৃষক লাভৱান হৈছে। কিন্তু কিমান দিনলৈ লাভৱান হোৱাৰ আশাৰে থাকিব অসমৰ কৃষক? অকল জহা ধানৰ লাভেৰে অসমৰ কৃষক কেতিয়াও স্বাৱলম্বী হ'ব নোৱাৰে। জহা ধানকে ধৰি অন্য ধানৰ ক্ষেত্ৰটো মূল্যবৃদ্ধিৰ ব্যৱস্থা লওক চৰকাৰে। তেতিয়াহে প্ৰকৃতাৰ্থত আঘোণৰ ধান কৃষকৰ বাবে প্ৰকৃততে সোণগুটিলৈ পৰিণত হ'ব; অন্যথা কবিতাৰ পৃষ্ঠাতে এই বাক্যশাৰী সদায় শুৱনি হৈ থাকিব।

# চে গুৱেভাৰাৰ আদৰ্শেৰে জুবিন গাৰ্গৰ সামাজিক আন্দোলন





**জু**বিন গাৰ্গ আছিল সৰ্বকালৰ শ্ৰেষ্ঠ অসমীয়া। অসমীয়া সংগীত জগতৰ এটি অত্যুৎজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গে সুৰৰ যাদুৰে লাখ লাখ মানুহৰ হৃদয় স্পৰ্শ কৰিছে।

জুবিন গাৰ্গ কেৱল এজন শিল্পীয়েই নাছিল, তেওঁ আছিল সমাজৰ পথপ্ৰদৰ্শক, এজন সচেতন অগ্ৰদূত। তেওঁৰ প্ৰতিটো গীত আছিল এখন দাপোণ য'ত প্ৰতিফলিত হৈছিল গভীৰ সমাজ-দৰ্শন, জাগ্ৰত বিবেক আৰু মানৱিক চেতনা। "কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে" এই উক্তিয়ে তেওঁৰ বৌদ্ধিক চেতনাৰ গভীৰতাৰ পৰিচয় দাঙি ধৰিছে। প্ৰতিজন ব্যক্তিয়ে নিজৰ বাবে আৰু সমাজৰ উন্নতিৰ বাবে অহৰহ কৰ্মৰত হওক, এই আহ্বানেৰে তেওঁ অনুৰাগীসকলৰ মাজত এখন সমৃদ্ধ, সবল অসমৰ সপোন জগাই তুলিছিল। তেওঁৰ চিন্তাৰধাৰাই অসমীয়া জাতিক একত্ৰিত কৰি ভৱিষ্যতৰ পথ প্ৰশস্ত কৰি গৈছে।

জুবিন গাৰ্গৰ সামাজিক আন্দোলন আছিল অতি সৰল আৰু সহজ, কিন্তু গভীৰভাৱে প্ৰভাৱশালী। জাতি, ধৰ্ম বা ৰাজনীতিৰ উৰ্দ্ধত থাকি তেওঁ কেৱল মানুহৰ পূজা কৰিছিল। এগৰাকী জাতিপ্ৰেমী, ভাষাপ্ৰেমী আৰু সমাজপ্ৰেমী শিল্পী হিচাপে তেওঁ সময়ৰ সৈতে খোজ মিলাই আগবাঢ়ি গৈছিল। গানক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি অসমৰ প্ৰতিটো সমস্যাৰ বিৰুদ্ধে তেওঁ মাত মাতিছিল। অন্যায়-অবিচাৰ, ৰাজনৈতিক মিথ্যাচাৰ, দুৰ্নীতি, দুৰ্ভোগ, সামাজিক বৈষম্য, পৰিৱেশ ধ্বংস আৰু মানৱ অধিকাৰৰ লংঘন এই সকলো বিষয়তেই তেওঁ উদাত্ত কণ্ঠেৰে প্ৰতিবাদ কৰিছিল।

তেওঁৰ মানৱতাবাদী দৃষ্টিভংগী স্পষ্টভাৱে প্ৰতিফলিত হৈছে এইযাৰ কথাত, "মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মোৰ কোনো ভগৱান নাই, মই মুক্ত, মই কাঞ্চনজংঘা।" এই চেতনাৰ বলতে তেওঁ সমাজৰ দুৰ্বল শ্ৰেণীৰ কাষত থিয় দিছিল।

ৰিক্সাচালক, অটোচালক, দীন-দৰিদ্ৰ, নিপীড়িত আৰু নিষ্পেষিত জনতাৰ প্ৰতি তেওঁৰ গভীৰ সহানুভূতি দেখুৱাইছিল। প্ৰাকৃতিক দুৰ্যোগ বা মহামাৰীৰ সময়ত তেওঁ দুৰ্গতজন আৰু আৰ্তজনৰ কাষত থাকি সহায়ৰ হাত আগবঢ়াইছিল। ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বাবে আৰ্থিক সাহায্য, এইড্‌ছ ৰোগী, কেন্সাৰ ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা আৰু দুৰ্যোগত সহায্য প্ৰদান কৰি দাতব্য কৰ্মৰ পৰিচয় দিছিল।

জুবিন গাৰ্গৰ জীৱন আৰু সৃষ্টিত চেগুৱেভাৰাৰ আদৰ্শৰ স্পষ্ট প্ৰতিফলন ঘটিছে।

সেই আদৰ্শ হ'ল মানৱতা, ন্যায় আৰু সাহসৰ। মৃত্যুৰ মাত্ৰ দুদিন আগতে সাহিত্যিক ৰীতা চৌধুৰীৰ সৈতে হোৱা সাক্ষাৎকাৰত তেওঁ কৈছিল, "মই চে গুৱেভাৰাৰ শিষ্য।" চে গুৱেভাৰাৰ সৈতে জুবিনৰ কৰ্মৰাজিৰ তুলনা কৰিলে দেখা যায়- চে গুৱেভাৰা আছিল সশস্ত্ৰ বিপ্লৱৰ প্ৰতীক। কিউবাৰ বিপ্লৱত বন্দুক হাতত লৈ অন্যায়ৰ বিৰুদ্ধে যুঁজিছিল, লেটিন আমেৰিকাৰ দৰিদ্ৰ কৃষক-শ্ৰমিকসকলৰ মুক্তিৰ সপোন দেখিছিল।

জুবিন গাৰ্গে চে গুৱেভাৰাক অহিংস আৰু সাংস্কৃতিক পথেৰে অনুসৰণ কৰিছিল। গুৱেভাৰাৰ বুলেট আছিল ৰাজনৈতিক শত্ৰুৰ বিৰুদ্ধে, কিন্তু জুবিনৰ বুলেট আছিল সুৰীয়া গীত, যিয়ে অন্যায়ৰ বিৰুদ্ধে যুঁজিছিল। গুৱেভাৰাৰে জংঘলত গেৰিলা যুদ্ধ চলাইছিল, জুবিনে ৰাজপথত ৰিক্সাৱালাৰ লগত চাহ খাই, ধাবাৰ কৰ্মীক ধন্যবাদ দি, অসহায় লোকক ঔষধ কিনি দি মানৱপ্ৰেমৰ জ্যোতি বিলাইছিল। দুয়োৰে লক্ষ্য আছিল দুৰ্বলৰ মুক্তি, কিন্তু গুৱেভাৰাৰ পথ আছিল সংঘৰ্ষৰ, জুবিনৰ পথ আছিল প্ৰেম আৰু সংগীতৰ।

গুৱেভাৰাৰে সমাজতন্ত্ৰৰ সপোন দেখিছিল, জুবিনে অসমীয়া সমাজত সাম্য আৰু মানৱতাৰ গীতৰে বিপ্-ৱ কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে অস্ত্ৰেৰে নহয়, প্ৰেমৰ দ্বাৰাইহে সমাজ সলনি কৰিব পাৰি। "জনতা মোৰ দৰ্শক নহয়, মোৰ সংগী"—এই উক্তিয়ে তেওঁৰ মানৱপ্ৰেমী সংগীতৰ ভিত্তি গঢ়ি তুলিছিল। গীত আছিল তেওঁৰ বুলেট, সুৰ আছিল হেঁপাহৰ পতাকা।

পৰিৱেশৰ প্ৰতি তেওঁ অত্যন্ত সজাগ আৰু সচেতন আছিল। গছ কটাৰ ক্ষেত্ৰত তেওঁ কৈছিল, "য'ত নাহৰ গছ থাকিব, তাতে জুবিন থাকিব।" মৃত্যুৰ পিছতো অসমবাসীয়ে তেওঁৰ স্মৃতিত গছপুলি ৰোপণ অব্যাহত ৰাখিছে। সামাজিক ন্যায়ৰ ক্ষেত্ৰতো তেওঁ অগ্ৰণী ভূমিকা লৈছিল। ২০১৯ চনৰ CAA-বিৰোধী আন্দোলনত ৰাজপথত নামি তেওঁ পুনৰ কৈছিল, "সপোন দেখক, কাম কৰক, ভয় নকৰিব।" কালাগুৰু আৰ্টিষ্ট ফাউণ্ডেশনৰ জৰিয়তে বন্যাত ক্ষতিগ্ৰস্তসকলক ঔষধ আৰু কাপোৰ বিতৰণ কৰিছিল।

ক'ভিডকালত অসহায় ৰোগীক নিজৰ ঘৰত আশ্ৰয় দি কৈছিল, "মানুহৰ সেৱাই ভগৱানৰ সেৱা।" পথৰ পৰা উদ্ধাৰ কৰা কাজলী দত্তক নিজ কন্যা হিচাপে পালন কৰিছিল আৰু ঘৰত কুকুৰ, বান্দৰ, চৰাইৰ মাজত খাদ্য বিলাই দিছিল। এইবোৰেই তেওঁক "গীতৰ জুবিন"ৰ পৰা "মানৱতাৰ জুবিন"লৈ উন্নীত কৰিছিল।

জুবিনৰ জীৱন আছিল ব্ৰহ্মপুত্ৰৰ দৰে, সোঁতৰ বিপৰীতে গৈ নিজৰ পথ সৃষ্টি কৰা। মৃত্যুৰ পিছতো লাখ লাখ অনুৰাগীৰ হৃদয়ত তেওঁৰ গীত অনুৰণিত হৈ আছে। তেওঁ কৈছিল, "মই মৰিলে লুইতত উটুৱাই দিব।" লুইতত মিলি গ'লেও আজি তেওঁ এটি শাশ্বত সুৰ হৈ আমাৰ মাজত জীয়াই আছে।

চে গুৱেভাৰাৰ দৰে জুবিনেও দেখুৱাই গৈছে, বিপ্লৱ কেৱল ৰাজনীতিৰ নহয়, হৃদয়ৰো হ'ব পাৰে। প্ৰেম, ন্যায় আৰু সাহস, এই তিনিটা মহৎ বৈশিষ্ট্যই তেওঁৰ গীতক মহিমামণ্ডিত কৰি তুলিছে। গীত শুনিলে, গছ পুলি ৰোপণ কৰিলে, অসহায়ক সহায় কৰিলে তেওঁৰ আদৰ্শ পুনৰ জী উঠিব। জুবিন গাৰ্গ আজি আমাৰ মাজত নাথাকিলেও তেওঁৰ সুৰদী সুৰ, কৰ্মৰাজি আৰু মানৱতাৰ বাণী সদায় অসমীয়াৰ হৃদয়ত বাজি থাকিব।

**ললিত নাথ**

চে গুৱেভাৰাৰ দৰে জুবিনেও দেখুৱাই গৈছে, বিপ্লৱ কেৱল ৰাজনীতিৰ নহয়, হৃদয়ৰো হ'ব পাৰে। প্ৰেম, ন্যায় আৰু সাহস, এই তিনিটা মহৎ বৈশিষ্ট্যই তেওঁৰ গীতক মহিমামণ্ডিত কৰি তুলিছে। গীত শুনিলে, গছ পুলি ৰোপণ কৰিলে, অসহায়ক সহায় কৰিলে তেওঁৰ আদৰ্শ পুনৰ জী উঠিব।

## সম্পাদকলৈ চিঠি

# প্ৰতিযোগিতাবিহীন হওক শিশু দিৱস

**বি**শ্বৰ প্ৰতিগৰাকী শিশুয়েই একক আৰু অনন্য। বহু সময়ত অদৃশ্য হৈ থাকিলেও প্ৰতিটো শিশুৰ মাজতে পৃথক পৃথক প্ৰতিভা বিদ্যমান। এক কথাত ব্যক্তি বিভিন্নতা মানৱ শিশুৰ প্ৰাকৃতিক বৈশিষ্ট্য। ভৱিষ্যতে শিশুসকলে তেওঁলোকৰ মাজত সুপ্ত হৈ থকা এই মৌলিক প্ৰতিভাৰাজিৰ ফলশ্ৰুতিতে পৃথক পৃথক ক্ষেত্ৰত প্ৰতিষ্ঠিত হ'বগৈ। সেয়ে শিশুসকলৰ মাজত একোটা নিৰ্দিষ্ট প্ৰতিভাক লৈ তুলনা কৰাটো মুঠেও সমীচীন নহয়। ইয়াৰ পৰিৱৰ্তে শিশুসকলক তেওঁলোকে কঢ়িয়াই লৈ ফুৰা বৈচিত্ৰ্যময় প্ৰতিভাসমূহৰ বাবে যথাযোগ্য উৎসাহ আৰু সন্মান জনোৱাটোহে আমাৰ দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত। স্বাভাৱিকতে প্ৰতিগৰাকী শিশুয়েই তেওঁলোকৰ স্বকীয় প্ৰতিভাসমূহৰ বিকাশ আৰু প্ৰকাশৰ সুযোগ পোৱাৰ সমান্তৰালভাৱে সিবিলাক ক্ষেত্ৰত প্ৰকৃত স্বীকৃতি অৰ্জন কৰাটো তেওঁলোকৰ মৌলিক অধিকাৰ। উল্লেখযোগ্য যে, দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী, আধুনিক ভাৰতবৰ্ষৰ নিৰ্মাতা, বিশিষ্ট শিক্ষাবিদ পণ্ডিত জৱাহৰলাল নেহৰুদেৱে শিশুসকলক কৰা নিভাঁজ স্নেহৰ বাবেই তেখেতৰ এই অকৃত্ৰিম সত্তাক সন্মান জনাই ১৯৬৪ চনত ভাৰতীয় সংসদে গ্ৰহণ কৰা এটি সিদ্ধান্ত অনুসৰি প্ৰতিবছৰে প্ৰসিদ্ধ ভাৰতীয়গৰাকীৰ জন্মদিনটো (১৪ নৱেম্বৰ) ভাৰতবৰ্ষত শিশু দিৱস হিচাপে পালন কৰি অহা হৈছে। ৰাষ্ট্ৰৰ প্ৰতিগৰাকী শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে এক আদৰ্শনীয় বাতাৱৰণ সৃষ্টি কৰি শিশুসকলৰ মাজত নিহিত হৈ থকা বৈচিত্ৰ্যময় প্ৰতিভাসমূহৰ উৎকৰ্ষ সাধনৰ বাবে দেশবাসীক সজাগ কৰি শিশুসকলক যথোচিত উৎসাহ-উদ্দীপনাৰে ক্ৰমশঃ আগুৱাই লৈ যোৱাটোৱেই দিৱসটোৰ মূল উদ্দেশ্য। থোৰতে, শিশুৰ অধিকাৰ, শিক্ষা আৰু কল্যাণৰ বাবে জনসচেতনতা বৃদ্ধি কৰাই শিশু দিৱসৰ মুখ্য উদ্দেশ্য। আমাৰ দৃষ্টিৰে, শিশু দিৱসৰ এই পৱিত্ৰ দিনটোত শিশুসকলক প্ৰতিযোগিতাৰ মজিয়াত অৱতীৰ্ণ কৰোৱাই তেওঁলোকৰ প্ৰতিভাৰাশিক তুলাচনীৰে পৰিমাপ কৰি স্থান নিৰ্ণয় কৰাটো ন্যায়সংগত নহয়। ইয়াৰ পৰিৱৰ্তে কোনো শিশোৱেই যাতে মনত ক্ষুদ্ৰমানো কষ্ট অনুভৱ নকৰে তাৰ বাবে শিশুসকলৰ স্বকীয় প্ৰতিভাসমূহৰ প্ৰদৰ্শনীৰহে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিয়নো প্ৰতিযোগিতাই স্থান লাভৰ পৰা বঞ্চিত শিশুসকলৰ কোমল মনত বৰ আঘাত দিয়ে। সেয়ে কোনো শিশোৱেই যাতে শিশু দিৱসৰ দৰে কেৱল শিশুৰ বাবেই উৎসৰ্গিত দিনটোত হীনমন্যতাত ভুগিবলগীয়া নহয় অথবা অৱহেলিত হ'বলগীয়া নহয় তাৰবাবে যিকোনো প্ৰতিযোগিতাই অন্ততঃ এই দিনটোত প্ৰত্যাহাৰ কৰা উচিত। শিশু দিৱসৰ মঞ্চ হওক এক মুকলি মঞ্চ য'ত প্ৰতিগৰাকী শিশোৱেই মুক্তমনে নিজৰ পছন্দৰ যিকোনো ক্ষেত্ৰত স্বকীয় প্ৰতিভা বিনাদ্বিধাই এক উৎসৱমুখৰ পৰিৱেশত প্ৰদৰ্শন কৰিবলৈ সোণালী সুযোগ লাভ কৰে। প্ৰতিগৰাকী দেৱশিশুৱে সুকোমল মনবোৰ ৰঙেৰে ভৰি পৰক। কোনো বিশেষ নিয়ম নীতিৰ আৱেষ্টনীৰ পৰা মুক্ত হৈ শিশোৱে মনখুলি হাঁহক, কবিতা আবৃত্তি কৰক, সাধু কওক, গীত গাওক, নৃত্য পৰিৱেশন কৰক , চৰিত্ৰ ৰূপায়ণ কৰক ইত্যাদি ইত্যাদি...। মুঠৰ ওপৰত প্ৰতিগৰাকী শিশোৱেই স্বাধীনমনে অংশগ্ৰহণ কৰিব পৰাকৈ বৰ্ণিল বৰ্ণময় হৈ উঠক শিশু দিৱসৰ মঞ্চসমূহ। আমি এই আপাহতে ,দেশৰ লগতে বিশ্বৰ প্ৰতিগৰাকী দেৱশিশুলৈকে যাচিছোঁ সীমাহীন মৰম আৰু শুভকামনা। আহক, আমি সকলোৱে এটি আস্থাজনক পৰিৱেশৰ মাজত আমাৰ ভৱিষ্যতৰ খনিকৰস্বৰূপ শিশুসকলৰ ব্যক্তিত্বৰ সৰ্বাংগীন বিকাশৰ বাবে এটি সুদৃঢ় আধাৰ প্ৰদান কৰি এখন আশানুৰূপ ৰাষ্ট্ৰৰ ভৱিষ্যত নিৰ্মাণৰ হেতু আমাৰ আত্মিক দায়বদ্ধতাক মনেপ্ৰাণে ৰূপায়ন কৰি আমাৰ জাতীয় জীৱনলৈ সেৱা আগবঢ়াই যাওঁ।



**ৰঞ্জিত শইকীয়া**
**কুৱালগুৰি, দেৰগাঁও**
ভ্ৰাম্যভাষঃ ৮৮৭৬৯৮৩৯৭২

## থানবান হোৱা বিৰোধী ঐক্য পুনৰ গঠনৰ কুচকাৱাজ

নিৰ্বাচনমুখী পৰিৱেশ সৃষ্টি কৰা আৰু বিৰোধী দলসমূহৰ মাজত উন্নত সমন্বয় নিশ্চিত কৰা।" চিপিআই(এম)ৰ জ্যেষ্ঠ বিধায়ক মনোৰঞ্জন তালুকদাৰে বৈঠকৰ ফলাফলক লৈ ১০০ক্ষ আশাবাদী বুলি মন্তব্য কৰি কয়, "এই আলোচনাৰ ফলত বিৰোধী শক্তি এক শক্তিশালী মঞ্চত পৰিণত হ'ব।" উল্লেখ্য যে, পূৰ্বৰ মুখ্যমন্ত্ৰী ভূপেন বৰাৰ নেতৃত্বত বিৰোধী ঐক্যমঞ্চ গঠন হৈছিল যদিও কংগ্ৰেছৰ প্ৰতি বিশ্বাসঘাতকতাৰ অভিযোগ উত্থাপিত হোৱাত মঞ্চটো ভংগ হৈছিল। তাৰ পিছত কংগ্ৰেছ অবিহনে অসম সন্মিলিত মৰ্চা গঠন হৈছিল। এই পটভূমিত এতিয়া কংগ্ৰেছে পুনৰ বিৰোধী ঐক্যৰ প্ৰয়াস আৰম্ভ কৰিছে, যিয়ে ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে। শাসকীয় বিজেপিৰ সাংগঠনিক শক্তিৰ সন্মুখত বিৰোধী দলসমূহে ঐক্যবদ্ধ হৈ ৰণনীতি প্ৰস্তুত কৰাৰ প্ৰয়াস চলাইছে। বৈঠকত আসন বুজাবুজি, যুটীয়া প্ৰচাৰ আৰু সাংগঠনিক সমন্বয়ৰ বিষয়ে আলোচনা হোৱা বুলি জানিব পৰা গৈছে। আগন্তুক দিনত এনে বৈঠক ধাৰাবাহিকভাৱে অনুষ্ঠিত হ'ব বুলি নেতাসকলে আশ্বাস দিছে। এই বৈঠকে অসমৰ ৰাজনৈতিক পৰিৱেশত নতুন গতি প্ৰদান কৰিব বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। ৰাইজৰ মাজত দুৰ্নীতি, বেকাৰী আৰু উন্নয়নৰ প্ৰশ্নক লৈ বিৰোধী দলসমূহে যুটীয়া প্ৰচাৰ চলোৱাৰ সম্ভাৱনা উজ্জ্বল হৈ উঠিছে।

## ইউটিউবত আপলোড কৰি ভাইৰেল কৰাৰ অভিযোগ

গ্ৰেপ্তাৰ কৰিছে। যুৱকজনে লক্ষ্মীপুৰৰ পৰা ইউটিউব চেনেলৰ জৰিয়তে ছবিখনৰ সম্পূৰ্ণ সংস্কৰণ আপলোড কৰিছিল, যাৰ ফলত মুহূৰ্ততে সামাজিক মাধ্যমত ছবিখন ভাইৰেল হৈ পৰে আৰু চলচ্চিত্ৰ উদ্যোগৰ বাবে বিপুল ক্ষতিৰ সৃষ্টি হয়। ক্ৰাইম ব্ৰাঞ্চৰ বিষয়াসকলে জনোৱা অনুসৰি, ৰফিকুলে ছবিখনৰ পাইৰেটেড কপি ইউটিউবত আপলোড কৰাৰ পিছতে লাখ লাখ দৰ্শকে ডাউনলোড কৰি লোৱাৰ ফলত ছবিখনৰ বক্স অফিচ সংগ্ৰহৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পৰে। "এই কাৰ্যই কপিৰাইট আইনৰ গুৰুতৰ উলংঘা কৰিছে। আমি তেওঁক গ্ৰেপ্তাৰ কৰি আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছো" বুলি এগৰাকী জ্যেষ্ঠ বিষয়াই মন্তব্য কৰে। ছবিখনৰ নিৰ্মাতা, পৰিচালক আৰু অভিনয় শিল্পীসকলে এই ঘটনাৰ তীব্ৰ নিন্দা জনাইছে। "পাইৰেচী অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ বাবে এক মাৰাত্মক আঘাত। ইয়াৰ ফলত নিৰ্মাতাসকলৰ লাখ লাখ টকাৰ ক্ষতি হয় আৰু উদ্যোগটোৰ ভৱিষ্যতক বিপদত পেলায়" বুলি ছবিখনৰ এগৰাকী সংশ্লিষ্টই কয়। তেওঁলোকে আৰক্ষীৰ এই দ্ৰুত কাৰ্যক প্ৰশংসা কৰিছে আৰু পাইৰেচীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থাৰ দাবী জনাইছে। আৰক্ষীয়ে সকীয়াই দিছে যে, পাইৰেচী বা কপিৰাইট উলংঘনমূলক যিকোনো কাৰ্যত জড়িত ব্যক্তিক কঠোৰ দণ্ডৰ সন্মুখীন হ'ব লাগিব। "আমি ছ'চিয়েল মিডিয়া আৰু অনলাইন প্লেটফৰ্মৰ ওপৰত নজৰদাৰী জোৰদাৰ কৰিছো। এনে অপৰাধৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি অব্যাহত থাকিব" বুলি ক্ৰাইম ব্ৰাঞ্চৰ মুখপাত্ৰই জনায়। অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত মহলৰ পৰা এই ঘটনাই পাইৰেচীৰ বিৰুদ্ধে সজাগতা বৃদ্ধিৰ দাবী উত্থাপিত হৈছে। দৰ্শকসকলকো থিয়েটাৰত ছবি চাই উদ্যোগটোক সহায় কৰিবলৈ আহ্বান জনোৱা হৈছে। ৰফিকুলৰ বিৰুদ্ধে আইনী কাৰ্যকলাপ অব্যাহত আছে আৰু অধিক তথ্যৰ বাবে তদন্ত চলি আছে।

## আজি পৰ্যন্ত অৰুণাচলৰ খাৰচাঙৰ তৈলক্ষেত্ৰৰ তেল

M/s. Cudd Pressure Control নামৰ প্ৰতিষ্ঠানৰ ৫-৬ জনীয়া বিশেষজ্ঞ দল বৃহস্পতিবাৰে খাৰছাং পাইপলাইনৰ ঘটনাস্থলীত উপনীত হ'ব। এই দলটোৱে OIL আৰু ONGCLৰ সংকট ব্যৱস্থাপনা দলৰ সৈতে যুটীয়া আলোচনা কৰি তেল নিৰ্গমন ৰোধৰ বাবে কাৰিকৰী পদক্ষেপ গ্ৰহণ কৰিব। "আমেৰিকাৰ বিশেষজ্ঞসকলে উন্নত প্ৰযুক্তিৰে কুঁৱাটোক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিব। ইতিমধ্যে আমাৰ দলসকলে প্ৰাথমিক ব্যৱস্থা গ্ৰহণ কৰি আছে, "বুলি এগৰাকী জ্যেষ্ঠ বিষয়াই মন্তব্য কৰে। ৩০ অক্টোবৰত GEPLৰ পৰিচালিত কুঁৱাটোত খনন কাৰ্যৰ সময়ত হঠাৎ চাপ বৃদ্ধিৰ ফলত বিস্ফোৰণ সংঘটিত হয় আৰু তেল-গেছৰ অবিৰত নিৰ্গমন আৰম্ভ হয়। GEPLৰ প্ৰাথমিক প্ৰচেষ্টা ব্যৰ্থ হোৱাত OILক দায়িত্ব দিয়া হয়। এই ঘটনাই স্থানীয় নদী-নলা আৰু কৃষিভূমিত তেলৰ প্ৰদূষণ সৃষ্টি কৰিছে আৰু জৈৱ-বৈচিত্ৰ্যক ভাবুকি দিছে। স্থানীয় ৰাইজে পৰিৱেশৰ ক্ষতিৰ বাবে GEPLৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে আৰু ক্ষতিপূৰণৰ দাবী উত্থাপন কৰিছে। OILৰ সংকট ব্যৱস্থাপনা দলটোৱে ঘটনাস্থলীত অহোৰাত্ৰ কাম কৰি আছে। কুঁৱাটোৰ চাপ নিয়ন্ত্ৰণৰ বাবে বিশেষ সঁজুলি আৰু কেপিং পদ্ধতি প্ৰয়োগ কৰা হৈছে। আমেৰিকাৰ দলৰ আগমনৰ পিছত তেল নিৰ্গমন সম্পূৰ্ণৰূপে ৰোধ কৰাৰ আশা কৰা হৈছে। "এই ধৰণৰ ঘটনা অতি জটিল আৰু বিশেষজ্ঞৰ সহায় অপৰিহাৰ্য। আমি দ্ৰুততম সময়ত পৰিস্থিতি স্বাভাৱিক কৰিবলৈ চেষ্টা কৰিছো"বুলি OILৰ মুখপাত্ৰই জনায়। পৰিৱেশ বিশেষজ্ঞসকলে এই ঘটনাক "পৰিৱেশৰ বাবে মাৰাত্মক" বুলি অভিহিত কৰিছে আৰু দীৰ্ঘম্যাদী প্ৰভাৱৰ মূল্যায়নৰ দাবী জনাইছে। অৰুণাচল চৰকাৰে ঘটনাস্থলী পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্তসকলক সাহায্যৰ আশ্বাস দিছে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰালয়েও পৰিস্থিতিৰ ওপৰত নজৰ ৰাখিছে। খাৰছাং তৈলক্ষেত্ৰ অৰুণাচলৰ অন্যতম গুৰুত্বপূৰ্ণ সম্পদ হোৱাৰ বাবে এই ঘটনাই ৰাজ্যৰ অৰ্থনীতি আৰু পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলোৱাৰ আশংকা কৰা হৈছে। তেল নিৰ্গমন ৰোধ নোহোৱালৈকে স্থানীয় অঞ্চলত জৰুৰীকালীন অৱস্থা বজাই ৰখা হৈছে।

## ৰাজ্যত চৰ্তসাপেক্ষে লটাৰি উপহাৰ কুপন আয়োজনত

কেৱল স্বীকৃত স্থানীয় উৎসৱ যেনে ৰাস মহোৎসৱ, লক্ষ্মী পূজা, দৌল উৎসৱ আদিতহে জিলা আয়ুক্তৰ অনুমতিৰে এনে কাৰ্যসূচী আয়োজন কৰিব পাৰিব। এই পদক্ষেপে ৰাজ্যত লটাৰিৰ নামত হোৱা অবৈধ কাৰ্যকলাপ ৰোধ কৰাৰ লগতে চৰকাৰী ৰাজহ বৃদ্ধিৰ পথ মুকলি কৰিব বুলি আশা কৰা হৈছে। আজি জাৰি কৰা বিত্ত বিভাগৰ নিৰ্দেশনাত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে, লটাৰি বা উপহাৰ কুপনৰ খেল অনুষ্ঠিত কৰিব বিচৰা প্ৰত্যেক উদ্যোক্তা সমিতিয়ে পূৰ্বে লিখিত আবেদনৰ জৰিয়তে সংশি-ষ্ট জিলা আয়ুক্তৰ পৰা অনুমতি লাভ কৰিব লাগিব। আবেদন পৰীক্ষা কৰি জিলা আয়ুক্তই এলেকাৰ আইন-শৃংখলাৰ পৰিস্থিতি, সামাজিক প্ৰভাৱ আৰু অন্যান্য নিয়মাৱলী বিবেচনা কৰি অনুমতি প্ৰদান কৰিব পাৰিব। কোনো অৱস্থাতে এনে অনুষ্ঠান বাৰ্ষিক বা নিয়মিতভাৱে আয়োজন কৰিব নোৱাৰিব বুলি নিৰ্দেশনাত সতৰ্ক কৰা হৈছে। নিৰ্দেশনাৰ অন্যতম গুৰুত্বপূৰ্ণ চৰ্ত হৈছে কৰ আদায়ৰ ব্যৱস্থা। জিলা আয়ুক্তই লটাৰিৰ পৰা উত্থাপিত সমুদায় ৰাজহৰ ওপৰত যাৱতীয় চৰকাৰী কৰ (GST আৰু অন্যান্য) সংগ্ৰহ কৰাৰ বাবে স্থানীয় কৰ বিভাগক নিৰ্দেশ দিব লাগিব। যিকোনো সমিতি বা ব্যক্তিয়ে পূৰ্বৰ বকেয়া কৰ পৰিশোধ নকৰিলে বা চৰকাৰৰ প্ৰতি দায়বদ্ধতা থাকিলে তেওঁলোকক লটাৰি অনুষ্ঠিত কৰাৰ অনুমতি দিয়া হ'ব নোৱাৰিব। এই ব্যৱস্থাই ৰাজ্যৰ ৰাজহ বৃদ্ধিৰ লগতে অবৈধ লটাৰিৰ পৰা হোৱা কৰ ফাঁকি ৰোধ কৰিব বুলি বিভাগীয় বিষয়াসকলে মত প্ৰকাশ কৰিছে। উল্লেখ্য যে, গুৱাহাটী উচ্চ ন্যায়ালয়ে পূৰ্বে ৰাজ্য চৰকাৰৰ এক নিৰ্দেশনা খাৰিজ কৰি লটাৰি অনুষ্ঠিত কৰাৰ বিষয়ে পুনৰ্বিবেচনা কৰিবলৈ নিৰ্দেশ দিছিল। তাৰ পিছতে চৰকাৰে এই নিয়ন্ত্ৰিত ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। ইয়াৰ পূৰ্বে ৰাজ্যত লটাৰি আৰু জুৱা খেল সম্পূৰ্ণৰূপে নিষিদ্ধ আছিল, যাৰ ফলত বহু উৎসৱৰ সমিতি আৰ্থিক সংকটত পৰিছিল। নতুন নিৰ্দেশনাই সেই সমস্যাৰ আংশিক সমাধান কৰিব বুলি আশা কৰা হৈছে। চৰকাৰী সূত্ৰই জনোৱা অনুসৰি, এই ব্যৱস্থাৰ মূল উদ্দেশ্য হৈছে স্থানীয় সংস্কৃতি আৰু উৎসৱৰ পৰম্পৰা ৰক্ষা কৰাৰ লগতে অবৈধ জুৱাৰ পৰা ৰাজ্যক সুৰক্ষিত কৰা। জিলা প্ৰশাসনে এতিয়া এই নিয়ম কঠোৰভাৱে পালন কৰিব লাগিব আৰু কোনো ধৰণৰ অপব্যৱহাৰ ধৰা পৰিলে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব। আগন্তুক ৰাস মহোৎসৱৰ পৰাই এই নিৰ্দেশনা কাৰ্যকৰী হ'ব বুলি জানিব পৰা গৈছে। এই পদক্ষেপক উৎসৱ সমিতিসমূহে স্বাগত জনাইছে যদিও কিছুমানে চৰ্তসমূহ অত্যধিক কঠোৰ বুলি মত প্ৰকাশ কৰিছে। তথাপি চৰকাৰে এই ব্যৱস্থাক "সমতা আৰু স্বচ্ছতাৰ ভাৰসাম্য" বুলি অভিহিত কৰিছে।

## মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৃষিমন্ত্ৰী অতুল বৰাৰ

উন্নীত কৰি অসমৰ কৃষিভিত্তিক অৰ্থনীতি সুদৃঢ় কৰাৰ ক্ষেত্ৰত এই আঁচনিসমূহে কিধৰণে সহায় কৰিছে সেই বিষয়ে আলোচনা কৰে। এই আলোচনাত ৰাজ্যৰ কৃষি খণ্ডৰ সৰ্বাঙ্গীণ বিকাশ আৰু কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ পথ প্ৰশস্ত কৰাৰ সন্দৰ্ভতো আলোচনা কৰা হয়। মন্ত্ৰী শ্ৰীবৰাই অসমৰ লগতে দেশৰ কৃষিখণ্ডৰ আমুল পৰিৱৰ্তনৰ ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লোৱাৰ উপৰি ভৱিষ্যতেও ৰাজ্যখনক সহযোগিতা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে ৰাজ্যৰ পৰিশ্ৰমিক কৃষক সমাজৰ সামগ্ৰিক কল্যাণ আৰু মৰ্যাদাপূৰ্ণ জীৱন সুনিশ্চিত কৰাৰ বাবে বদ্ধপৰিকৰ বুলিও উল্লেখ কৰে।

## আদালতত হাজিৰ বীৰ লাচিত সেনাৰ ১০ অভিযুক্তক

গুৱাহাটীৰ চিজেএম আদালতত হাজিৰ কৰোৱা হয়। অপৰাধ তদন্ত বিভাগে (চিআইডি) সংগঠনটোৰ বিৰুদ্ধে বৃহৎ পৰিসৰৰ তদন্ত অব্যাহত ৰাখিছে আৰু ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা একত্ৰিত কৰা এফআইআৰসমূহৰ ভিত্তিত একক গোচৰ গঠন কৰিছে। গ্ৰেপ্তাৰ হোৱা অভিযুক্তসকল হৈছে— ৰণ্টুপানী ফুকন, বিকাশ অসম, তন্ময় চেতিয়া, উৎপল দত্ত, বিৰাজ বল্লভ, ৰিয়াজ আহমেদ, মোহন আলী, চিন্ময় দেৱ, বিশ্বজিৎ দলে আৰু ইনামুল হক। যোৱা ৭ নৱেম্বৰত দিছপুৰ আৰক্ষীয়ে এই সদস্যসকলক গ্ৰেপ্তাৰ কৰিছিল। পিছদিনা ৮ নৱেম্বৰত চিআইডিয়ে চাইবাৰ আৰক্ষী থানাৰ পৰা পাঁচজনক অধিক জেৰাৰ বাবে মুখ্য কাৰ্যালয়লৈ লৈ যায় আৰু জিম্মাত ৰাখে। বাকী সদস্যসকলকো পৰ্যায়ক্ৰমে চিআইডিৰ জিম্মাত অনা হয়। চিআইডিৰ বিষয়াসকলে জনোৱা অনুসৰি, বৃহস্পতিবাৰে চিআইডি থানাত বীৰ লাচিত সেনাৰ বিৰুদ্ধে ২০/২৫ নম্বৰৰ গোচৰ ৰুজু কৰা হয়। ইয়াৰ পিছতে ৰাজ্যৰ কেইবাখনো জিলাৰ থানাত দাখিল হোৱা পুৰণি এফআইআৰসমূহ একত্ৰিত কৰি এক বিস্তৃত তদন্ত আৰম্ভ কৰা হৈছে। অভিযানৰ ফলত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা এই দহজন সদস্যক আটক কৰি গুৱাহাটীলৈ অনা হয় আৰু তীব্ৰ জেৰা চলোৱা হৈছে। তদন্তকাৰী দলৰ মতে, বীৰ লাচিত সেনাৰ সদস্যসকলে ধনবাদীৰ নামত ব্যৱসায়ীসকলক ভাবুকি দিয়া, অপহৰণৰ পৰিকল্পনা কৰা আৰু অন্যান্য অপৰাধমূলক কাৰ্যকলাপত জড়িত আছিল। সংগঠনটোৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন থানাত একাধিক গোচৰ দাখিল হৈ আছিল, যিবোৰক চিআইডিয়ে পুনৰ মুকলি কৰি সু-শৃংখলিত তদন্তৰ বাবে একত্ৰিত কৰিছে। "আমি সকলো দিশ পৰীক্ষা কৰি দোষীসকলক কঠোৰ শাস্তিৰ আওঁতালৈ অনিবলৈ চেষ্টা কৰিছোঁ" বুলি এগৰাকী জ্যেষ্ঠ চিআইডি বিষয়াই মন্তব্য কৰে। আদালতত হাজিৰ কৰাৰ পিছত অভিযুক্তসকলক ন্যায়িক হেফাজতত প্ৰেৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে। চিআইডিয়ে সংগঠনটোৰ অন্যান্য সদস্যৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে আৰু ডিজিটেল প্ৰমাণ, বেংক লেনদেন আৰু যোগাযোগৰ তথ্য পৰীক্ষা কৰি আছে। এই গ্ৰেপ্তাৰসমূহে ৰাজ্যত অপৰাধমূলক সংগঠনৰ বিৰুদ্ধে চৰকাৰৰ কঠোৰ অৱস্থান প্ৰতিফলিত কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াকৈ এনে গোটৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি ঘোষণা কৰিছিল। চিআইডিৰ এই দ্ৰুতগতিৰ তদন্তক ব্যৱসায়ী মহলে স্বাগত জনাইছে যদিও সংগঠনটোৰ সমৰ্থকসকলে এই গ্ৰেপ্তাৰক "ৰাজনৈতিক প্ৰেৰিত" বুলি অভিহিত কৰিছে। তদন্তৰ অগ্ৰগতিৰ ওপৰত ৰাজ্যৰ নিৰাপত্তা পৰিস্থিতিৰ দৃষ্টি নিবদ্ধ হৈ আছে আৰু চিআইডিয়ে শীঘ্ৰে চাৰ্জশ্বীট দাখিল কৰিব বুলি আশা কৰা হৈছে।

## দিল্লী কাৰ বিস্ফোৰণত আহতক সাক্ষাৎ প্ৰধানমন্ত্ৰী

কৰি নিৰাপত্তা বিষয়ক পৰ্যালোচনা কৰিব বুলি জানিব পৰা গৈছে। হাস্পতালত আহতসকলৰ সৈতে কথা পাতি মোদীয়ে কয়, "এই দুৰ্ভাগ্যজনক ঘটনাই সমগ্ৰ দেশক শোকসাগৰত ডুবাইছে। মই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ যন্ত্ৰণা গভীৰভাৱে অনুভৱ কৰিছো। সমগ্ৰ দেশ আপোনালোকৰ কাষত আছে। আমাৰ তদন্তকাৰী সংস্থাসমূহে এই ঘটনাৰ মূল কাৰকসকলক বিচাৰি উলিয়াই কঠোৰ শাস্তি নিশ্চিত কৰিব।" ভূটানৰ থিম্ফুৰ পৰাই প্ৰধানমন্ত্ৰীয়ে বিস্ফোৰণত মৃতসকলৰ পৰিয়ালৰ প্ৰতি গভীৰ শোক আৰু আহতসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছিল। সোমবাৰে দুপৰীয়া প্ৰায় ১: ৪৫ বজাত লালকিল্লাৰ মেট্ৰ' ষ্টেচনৰ ১ নং গেটৰ সন্মুখত থকা এখন আই-২০ গাড়ীত শক্তিশালী বিস্ফোৰণ সংঘটিত হয়। আৰক্ষীৰ প্ৰাথমিক তদন্ত অনুসৰি, বিস্ফোৰণত ১২জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৫ জনতকৈও অধিক লোক আহত হৈছে। ফৰেনছিক দলে বিস্ফোৰণস্থলীৰ পৰা ৪০টাৰো অধিক নমুনা সংগ্ৰহ কৰিছে, য'ত দুটা সতেজ কাৰ্ট্ৰিজ আৰু বিস্ফোৰকৰ অৱশেষ পোৱা গৈছে। প্ৰাথমিক অনুমানত এম'নিয়াম নাইট্ৰেটৰ লগতে অন্য শক্তিশালী বিস্ফোৰক ব্যৱহাৰ কৰা হোৱাৰ আশংকা কৰা হৈছে। তদন্তত নতুন তথ্য পোহৰলৈ আহিছে। চিচিটিভি ফুটেজৰ পৰা জানিব পৰা গৈছে যে, বিস্ফোৰণৰ দিনা দুপৰীয়া আঢ়ৈ বজাৰ পৰা বিস্ফোৰকভৰ্তি গাড়ীখন কনট প্লেচ, ময়ূৰ বিহাৰ, পুৰণি দিল্লীকে ধৰি ৰাজধানীৰ বিভিন্ন অঞ্চলত অবাধে ঘূৰি ফুৰিছিল। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ১০ নৱেম্বৰত হাৰিয়ানাৰ ধৌজত আল-ফালাহ বিশ্ববিদ্যালয়ৰ চৌহদত এই গাড়ীখন পাৰ্ক কৰি ৰখা হৈছিল। পিছত ইয়াক দিল্লীলৈ অনা হয় আৰু বিস্ফোৰণৰ পৰিকল্পনা অনুসৰি স্থানান্তৰ কৰা হৈছিল। জাতীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালৰ নেতৃত্বত এনএছএ, এনআইএ আৰু দিল্লী আৰক্ষীৰ যুটীয়া তদন্ত দল গঠন কৰা হৈছে। বিস্ফোৰণৰ আঁৰত সন্ত্ৰাসবাদী সংগঠনৰ জড়িত থকাৰ আশংকা কৰা হৈছে যদিও কোনো গোটে এতিয়ালৈকে দায় স্বীকাৰ কৰা নাই। কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে ৰাজধানীত উচ্চ সতৰ্কতা জাৰি কৰিছে আৰু সকলো প্ৰৱেশপথত যানবাহন পৰীক্ষা জোৰদাৰ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ সূত্ৰই জনোৱা অনুসৰি, সন্ধিয়াৰ মন্ত্ৰীসভাৰ বৈঠকত দিল্লী বিস্ফোৰণৰ লগতে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা হ'ব। মোদীয়ে ভূটান ভ্ৰমণৰ সময়তে এই ঘটনাৰ ওপৰত নিয়মীয়াকৈ আপডেট লৈছিল আৰু তদন্তক ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিছিল। এই ঘটনাই ৰাজধানীৰ নিৰাপত্তা ব্যৱস্থাৰ ওপৰত পুনৰ প্ৰশ্ন উত্থাপন কৰিছে। বিশ্লেষকসকলে মন্তব্য কৰিছে যে, বিস্ফোৰকভৰ্তি গাড়ীয়ে এনেদৰে অবাধে ঘূৰি ফুৰাটোৱে গোয়েন্দা ব্যৱস্থাৰ দুৰ্বলতা প্ৰকাশ কৰিছে। চৰকাৰে ঘোষণা কৰিছে যে, মৃতসকলৰ পৰিয়ালক ২০ লাখ টকা আৰু আহতসকলক ৫ লাখ টকাৰ সাহায্য প্ৰদান কৰা হ'ব। দিল্লীবাসীৰ মাজত আতংকৰ পৰিৱেশ বিৰাজ কৰিছে যদিও প্ৰধানমন্ত্ৰীৰ সাক্ষাৎ আৰু সহানুভূতিয়ে আহতসকলক সান্ত্বনা প্ৰদান কৰিছে। তদন্তৰ অগ্ৰগতিৰ ওপৰত সমগ্ৰ দেশৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## জনসাধাৰণেও মুকলিকৈ প্ৰত্যাখ্যান কৰিছে

কাৰ্যক কংগ্ৰেছ দলে সমালোচনা কৰিছিল। ৰাইজক সম্বোধন কৰি শৰ্মাই কয়, "কংগ্ৰেছে কৈছিল যে আমি ৰাইজক যি ১০ হাজাৰ টকা দিছো, সেয়া টকাৰ অপচয়। যেতিয়া তেওঁলোকে লুঙী-ধুতি দিয়ে, তেতিয়া সেয়া অপচয় নহয়নে? এখন লুঙী আৰু ধুতি দিয়া ভাল, নে অসমৰ মহিলাসকলক ১০, ০০০ টকা দিয়াটো ভাল?" তেওঁ লগতে কয়, "তেওঁলোকে পাঁচ বছৰৰ মূৰে মূৰে এবাৰ লুঙী, ধুতি, আঁঠুৱা দিয়ে। কিন্তু আমি যেতিয়া ইয়ালৈ মহিলাসকলক মাতিছিলো, তেতিয়া আমি কেতিয়াও সোধা নাছিলো যে কোনে কংগ্ৰেছক ভোট দিলে। আমাৰ লক্ষ্য সহজ, অসমৰ প্ৰতিগৰাকী মহিলাক লাখপতি দিদী কৰি তোলা।" কল্যাণমূলক আঁচনি আৰু ৰাজহুৱা ধনৰ ফলপ্ৰসূ ব্যৱহাৰক লৈ শাসকীয় বিজেপি চৰকাৰ আৰু কংগ্ৰেছৰ মাজত বাকযুদ্ধ অব্যাহত থকাৰ সময়তে মুখ্যমন্ত্ৰীয়ে এই মন্তব্য কৰিছে। মহিলাসকলক অৰ্থনৈতিকভাৱে সৱলীকৰণৰ লক্ষ্যৰে গ্ৰহণ কৰা 'লাখপতি দিদি' পদক্ষেপ ডঃ শৰ্মাৰ নেতৃত্বত অসম চৰকাৰৰ অন্যতম ফ্লেগশ্বিপ কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে। ইফালে মঙলবাৰে সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে কংগ্ৰেছে আজিকালি নিজেই কৰি অহা কামবিলাকৰ বাবে লাজ পাব লগা হৈছে। জনসাধাৰণেও মুকলিকৈ ধুতি-লুঙীক প্ৰত্যাখ্যান কৰিছে। ইফালে বিৰোধী ঐক্যক টিভি ছিৰিয়েল আখ্যা দিয়ে মুখ্যমন্ত্ৰীয়ে।

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণকলৈ অগপৰ

নেতৃত্বৰ উপস্থিতিত ৰাজ্যসভাৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই কয়, "অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী অতি ন্যায়সংগত আৰু পুৰণি। গুৱাহাটীত শেহতীয়াকৈ অনুষ্ঠিত অগপৰ চিন্তন বৈঠকে এই দাবীক সমৰ্থন কৰাৰ সিদ্ধান্তগ্ৰহণ কৰিছে। আমি জনগোষ্ঠীসমূহৰ আন্দোলনক পূৰ্ণ সমৰ্থন জনাইছো আৰু আগন্তুক অধিৱেশনসমূহত আমাৰ সাংসদ-বিধায়কে এই বিষয়টো উত্থাপন কৰিব।" তেওঁ লগতে উল্লেখ কৰে যে, উজনিৰ ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ আৰু যোৰহাটত বিভিন্ন জনগোষ্ঠীৰ সংগঠনৰ সৈতে ধাৰাবাহিক বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত উপস্থিত আছিল লোকসভাৰ সাংসদ ফণীভূষণ চৌধুৰী, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পৃথ্বীৰাজ ৰাভা, চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাৰ লগতে দলৰ অন্যান্য শীৰ্ষ নেতা। অগপৰ নেতাসকলে আশ্বাস দিয়ে যে, চৰকাৰৰ অংশীদাৰী হৈ থাকিলেও জনজাতিকৰণৰ ক্ষেত্ৰত দলটোৱে জনগোষ্ঠীসমূহৰ পক্ষত থাকিব আৰু প্ৰয়োজনীয় চাপ সৃষ্টি কৰিব। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ছয় জনগোষ্ঠীৰ সংগঠনসমূহে জনজাতিকৰণৰ দাবীত ধাৰাবাহিক প্ৰতিবাদ কাৰ্যসূচী অব্যাহত ৰাখিছে। প্ৰতিখন চৰকাৰে এই দাবীৰ প্ৰতি প্ৰতিশ্ৰুতি দি আহিলেও কাৰ্যকৰী পদক্ষেপৰ অভাৱত জনগোষ্ঠীসমূহৰ মাজত ক্ষোভ বৃদ্ধি পাইছে। মটক সন্মিলনৰ নেতাসকলে অগপৰ এই সমৰ্থনক স্বাগত জনাইছে আৰু আশা প্ৰকাশ কৰিছে যে, ইয়াৰ ফলত দাবীটোৱে গতি লাভ কৰিব। অগপৰ এই পদক্ষেপক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটতো চোৱা হৈছে। উজনি অসমত জনগোষ্ঠীসমূহৰ ভোটৰ প্ৰভাৱশালী ভূমিকা থকাৰ বাবে দলটোৱে সংগঠনসমূহৰ সৈতে ৰুদ্ধদ্বাৰ বৈঠকৰ জৰিয়তে সমৰ্থন সাব্যস্ত কৰিব বিচাৰিছে বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। তথাপি অগপৰ নেতাসকলে এই দাবীক "ন্যায়সংগত আৰু ঐতিহাসিক" বুলি অভিহিত কৰি ৰাজনৈতিক স্বাৰ্থৰ উৰ্ধ্বত থকাৰ দাবী কৰিছে। এই বৈঠক ডিব্ৰুগড়ত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱাৰ লগতে জনজাতিকৰণৰ বিষয়ত অগপৰ সক্ৰিয় ভূমিকাৰ সূচনা বুলি চৰ্চা হৈছে। আগন্তুক দিনত অন্যান্য জিলাতো একেধৰণৰ বৈঠকৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে। ছয় জনগোষ্ঠীৰ সংগঠনসমূহে অগপৰ এই পদক্ষেপক ইতিবাচক বুলি মূল্যায়ন কৰিছে যদিও চৰকাৰৰ মাজেৰে কাৰ্যকৰী ফলাফলৰ অপেক্ষাত আছে। অসমৰ জনজাতিকৰণৰ দাবীয়ে ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে আৰু আগন্তুক নিৰ্বাচনত ই এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে উদয় হ'ব বুলি পৰ্যবেক্ষকসকলে মত প্ৰকাশ কৰিছে।

## উপাচাৰ্য ৰাজেন্দ্ৰ প্ৰসাদ দাসৰ বিৰুদ্ধে তদন্ত আৰম্ভ

হোৱাৰ পিছত অসম চৰকাৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ৰাজেন্দ্ৰ প্ৰসাদ দাসৰ বিৰুদ্ধে আনুষ্ঠানিক তদন্ত আৰম্ভ কৰিছে। অভিযোগকাৰী সংগঠন অসম পাব্লিক ৱৰ্কছ (APW)ৰ দাখিল কৰা নথিপত্ৰসহ প্ৰমাণৰ ভিত্তিত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। তদন্তৰ আওঁতাত আহিব প্ৰাক্তন পঞ্জীয়ক অৰূপজ্যোতি চৌধুৰী আৰু উপ-পঞ্জীয়ক ৰাতুল পাটোৱাৰীও। এই ঘটনাই ৰাজ্যৰ উচ্চ শিক্ষা খণ্ডত শাসনৰ মানদণ্ডৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। ৰাজ্যৰ উচ্চ শিক্ষা বিভাগৰ অতিৰিক্ত সচিব আশ্ৰুমণি মালাকাৰক তদন্তকাৰী বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে অ'"াবৰ মাহতে এই সন্দৰ্ভত চৰকাৰী নিৰ্দেশ জাৰি কৰিছিল। APWৰ নেতা অভিজিৎ শৰ্মা আৰু ধ্ৰুৱজ্যোতি তালুকদাৰে আগষ্ট মাহত ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা অভিযোগপত্ৰই এই তদন্তৰ পথ প্ৰশস্ত কৰিছিল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতে বিভাগীয় পৰ্যায়ত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হয়। অভিযোগসমূহ অতি গুৰুতৰ। APWৰ দাবী অনুসৰি, উপাচাৰ্য দাসে চৰকাৰী নিয়ম উলংঘা কৰি নিবিদা প্ৰক্ৰিয়া অবিহনে বিশ্ববিদ্যালয়ৰ নিৰ্মাণ আৰু মেৰামতিৰ কাম সম্পন্ন কৰিছিল। ইয়াৰ ফলত চৰকাৰী ধনৰ লগতে শিক্ষাৰ্থীৰ পৰা সংগ্ৰহ কৰা ফীজৰ অপব্যৱহাৰ হোৱাৰ আশংকা কৰা হৈছে। লগতে, প্ৰাক্তন পঞ্জীয়ক অৰূপজ্যোতি চৌধুৰীৰ কাৰ্যকাল নীতি বহিৰ্ভূতভাৱে বৃদ্ধি কৰাৰ অভিযোগো উত্থাপিত হৈছে। বৰ্তমান অৰূপজ্যোতি চৌধুৰী মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। আন এক চাঞ্চল্যকৰ অভিযোগ হৈছে উপ-পঞ্জীয়ক ৰাতুল পাটোৱাৰীৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ গোচৰ। এগৰাকী মহিলা কৰ্মচাৰীয়ে এই অভিযোগ উত্থাপন কৰাৰ পিছত বিশ্ববিদ্যালয়ৰ অভ্যন্তৰীণ অনুসন্ধান কমিটীয়ে পাটোৱাৰীক দোষী সাব্যস্ত কৰিছিল। কিন্তু উপাচাৰ্য দাসে কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ নকৰিলে। ভাৰপ্ৰাপ্ত পঞ্জীয়ক প্ৰাঞ্জিত বৰাই আদালতত স্বীকাৰ কৰিছিল যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অভিযোগৰ ওপৰত কোনো পদক্ষেপ লোৱা নাছিল। অনিয়ম উন্মোচন কৰাৰ অভিযোগত এগৰাকী অধ্যাপকক উপাচাৰ্য দাসে চাকৰিৰ পৰা বৰ্খাস্ত কৰিছিল। কিন্তু গুৱাহাটী উচ্চ ন্যায়ালয়ে তেওঁৰ পুনৰ্নিযুক্তিৰ নিৰ্দেশ দি বিশ্ববিদ্যালয় কৰ্তৃপক্ষক তীব্ৰ ভৰ্ৎসনা কৰিছিল। এই ঘটনাই বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক স্বেচ্ছাচাৰিতাৰ চিত্ৰ উদঙাই দিছে বুলি অভিযোগকাৰীসকলে মন্তব্য কৰিছে। ২০০৬ চনত প্ৰতিষ্ঠিত কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অসমৰ একমাত্ৰ মুক্ত বিশ্ববিদ্যালয়। ৰাজ্যৰ দুৰ্গম অঞ্চলৰ লাখ লাখ শিক্ষাৰ্থীৰ বাবে দূৰ শিক্ষণৰ সুযোগ প্ৰদান কৰি অহা এই প্ৰতিষ্ঠানটো উচ্চ শিক্ষা বিভাগৰ অধীনত পৰিচালিত হয়। কিন্তু সাম্প্ৰতিক অনিয়মৰ অভিযোগে বিশ্ববিদ্যালয়খনৰ সুনামত আঘাত হেনোৱাৰ লগতে শিক্ষাৰ্থীসকলৰ ভৱিষ্যতৰ প্ৰতি উদ্বেগ সৃষ্টি কৰিছে। তদন্তকাৰী বিষয়া আশ্ৰুমণি মালাকাৰে সকলো সম্পৰ্কীয় নথিপত্ৰ পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিব বুলি জানিব পৰা গৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, তদন্তৰ ফলাফলৰ ওপৰত ভিত্তি কৰি দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। শিক্ষা বিভাগে এই ঘটনাক অতি গুৰুত্ব সহকাৰে লৈছে আৰু ৰাজ্যৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত স্বচ্ছতা নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দিছে। এই তদন্তই কেৱল KKHSOUৰ অনিয়মৰ মূল উদঙাই দিয়াই নহয়, ৰাজ্যৰ অন্যান্য শৈক্ষিক প্ৰতিষ্ঠানতো প্ৰশাসনিক সংস্কাৰৰ পথ মুকলি কৰিব বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## অসমৰ ৩৪ জেহাদী সমৰ্থকক চিনাক্ত শীঘ্ৰে গ্ৰেপ্তাৰৰ আশ্বাস

টাৰ্গেট কৰিব পাৰে কুটাঘাতকাৰীয়ে। অসমত কোনো সন্ত্ৰাসবাদী কাৰ্য হ'লে অতি ভয়াৱহ ৰূপ ল'ব।" ৰাজ্যখন বৰ্তমান জটিল পৰিৱেশৰ মাজত আছে বুলি উল্লেখ কৰি তেওঁ ৰাইজক দীৰ্ঘদিনলৈ সাৱধান হৈ থাকিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে যে, দিল্লী বিস্ফোৰণৰ সমৰ্থনকাৰীসকলৰ ওপৰত অসম আৰক্ষীৰ তীক্ষ্ণ নজৰ আছে আৰু এতিয়ালৈকে ৰাজ্যত ৩৪জন জেহাদী সমৰ্থকক চিনাক্ত কৰা হৈছে। "এই ৩৪জন সন্ত্ৰাসবাদী সমৰ্থকক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰা হ'ব। সন্ত্ৰাসবাদৰ সমৰ্থনকাৰীক কেতিয়াও ৰেহাই দিয়া নহ'ব" বুলি তেওঁ স্পষ্টভাৱে ঘোষণা কৰে। চিনাক্ত হোৱা অভিযুক্তসকলৰ জিলা অনুসৰি বিভাজন হৈছে— কামৰূপত ৫ জন, তামুলপুৰত ১ জন, কাৰ্বি আংলঙত ১ জন, গোৱালপাৰাত ২ জন, বৰপেটাত ৪ জন, কাছাৰত ১ জন, নলবাৰীত ৩ জন, হোজাইত ২ জন, বা'ত ১ জন, যোৰহাটত ১ জন, দক্ষিণ শালমাৰাত ১জন আৰু কামৰূপ মহানগৰত ১ জন। আৰক্ষীৰ সাইবাৰ কোষে ছ'চিয়েল মিডিয়াৰ নজৰদাৰী জোৰদাৰ কৰি এই সকলোকে চিনাক্ত কৰিছে বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰীয়ে ৰাইজক আহ্বান জনায় যে, যিকোনো সন্দেহজনক কাৰ্যকলাপৰ খবৰ ততালিকে আৰক্ষীক জনাব লাগে। "অসমত শান্তি-শৃংখলা বজাই ৰখাটো আমাৰ সকলোৰে দায়িত্ব। সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি অব্যাহত থাকিব" বুলি তেওঁ জোৰ দি কয়। দিল্লী বিস্ফোৰণৰ পিছতে ৰাজ্যত উচ্চ সতৰ্কতা জাৰি কৰা হৈছে আৰু সকলো জিলাৰ আৰক্ষীক সতৰ্ক অৱস্থাত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। গোয়েন্দা বিভাগে সন্ত্ৰাসবাদী সংগঠনৰ সম্ভাব্য সংযোগৰ তদন্ত তীব্ৰতৰ কৰিছে। এই পৰিস্থিতিয়ে ৰাজ্যৰ জনজীৱনত সতৰ্কতাৰ পৰিৱেশ সৃষ্টি কৰিছে যদিও চৰকাৰে শান্তি বজাই ৰখাৰ প্ৰতিশ্ৰুতি দিছে।

## ইছলামাবাদ বিস্ফোৰণত

শ্বৰীফে কৰা অভিযোগক ভাৰতে মঙলবাৰে তীব্ৰভাৱে খণ্ডন কৰিছে। বৈদেশিক মন্ত্ৰালয়ে এই দাবীক "সম্পূৰ্ণ ভিত্তিহীন আৰু হতাশাৰে প্ৰেৰিত" বুলি অভিহিত কৰি পাকিস্তানী নেতৃত্বৰ ওপৰত কঠোৰ সমালোচনা বৰ্ষণ কৰিছে। বিস্ফোৰণৰ দায় ইতিমধ্যে তেহৰিক-ই-তালিবান পাকিস্তান (TTP)ই স্বীকাৰ কৰাৰ পিছতো পাকিস্তানে ভাৰতক দোষাৰোপ কৰাটোৱে দুয়োখন দেশৰ মাজত উত্তেজনা বৃদ্ধি কৰিছে। পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে মঙলবাৰে এক ৰাজহুৱা সভাত ভাষণ দি পোনপটীয়াকৈ ভাৰতক দোষী সাব্যস্ত কৰে। তেওঁ দাবী কৰে, "আফগানিস্তানৰ মাটিত ভাৰতৰ সহযোগত প্ৰশিক্ষণ লোৱা সন্ত্ৰাসবাদীয়ে ইছলামাবাদত এই আত্মঘাতী আক্ৰমণ চলাইছে।" শ্বৰীফৰ এই মন্তব্যই পাকিস্তানৰ অভ্যন্তৰীণ ৰাজনীতিৰ লগতে আন্তৰ্জাতিক মহলতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ভাৰতৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে তাৎক্ষণিক প্ৰতিক্ৰিয়াত কয়, "পাকিস্তানী নেতৃত্বই নিজৰ দেশৰ অভ্যন্তৰীণ সংকট আৰু নিৰাপত্তাৰ ব্যৰ্থতা ঢাকি ৰখাৰ বাবে ভাৰতৰ বিৰুদ্ধে এনে অযৌক্তিক আৰু ভিত্তিহীন অভিযোগ উত্থাপন কৰিছে। ভাৰতে এই দাবীসমূহক সম্পূৰ্ণৰূপে নাকচ কৰিছে।" জয়ছৱালে লগতে উল্লেখ কৰে যে TTPই বিস্ফোৰণৰ দায় স্বীকাৰ কৰাৰ পিছতো পাকিস্তানৰ এনে মন্তব্যই তেওঁলোকৰ বিশ্বাসযোগ্যতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। ১১ নৱেম্বৰৰ দুপৰীয়া প্ৰায় ১২: ৩০ বজাত ইছলামাবাদৰ জিলা আদালত প্ৰাংগণৰ বাহিৰত থকা এখন বাহনত এই শক্তিশালী বিস্ফোৰণ সংঘটিত হয়। স্থানীয় সংবাদ মাধ্যমৰ বৰ্তমানৰ তথ্য অনুসৰি, এই আক্ৰমণত কমেও ১২জন লোক নিহত হৈছে আৰু ২২ জনতকৈও অধিক লোক গুৰুতৰভাৱে আহত হৈছে। নিহতসকলৰ ভিতৰত আইনজীৱী, আদালতৰ কৰ্মচাৰী আৰু সাধাৰণ নাগৰিক অন্তৰ্ভুক্ত। বিস্ফোৰণৰ পিছতে TTPৰ মুখপাত্ৰই এক বিবৃতি জাৰি কৰি এই আক্ৰমণৰ দায় স্বীকাৰ কৰি পাকিস্তান চৰকাৰৰ বিৰুদ্ধে "প্ৰতিশোধমূলক অভিযান" চলোৱাৰ হেঁকি দিয়ে। ভাৰতীয় কূটনৈতিক মহলে এই ঘটনাক পাকিস্তানৰ "পুৰণি কৌশল" বুলি অভিহিত কৰিছে। সূত্ৰই জনোৱা অনুসৰি, পাকিস্তানে নিজৰ দেশত সন্ত্ৰাসবাদী গোটসমূহৰ বিৰুদ্ধে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰাৰ ফলত সৃষ্টি হোৱা অস্থিৰতাৰ দায় ভাৰতৰ ওপৰত জাপি দি আন্তৰ্জাতিক সমৰ্থন লাভ কৰিব বিচাৰে। "এই ধৰণৰ অভিযোগৰ কোনো প্ৰমাণ নাই আৰু ই কেৱল দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষতি কৰে, "বুলি এজন জ্যেষ্ঠ কূটনীতিবিদে মন্তব্য কৰে। বিশে-ষকসকলে মন্তব্য কৰিছে যে শ্বাহবাজ শ্বৰীফৰ এই বক্তব্য পাকিস্তানৰ অভ্যন্তৰীণ ৰাজনৈতিক সংকটৰ পৰা দৃষ্টি ঘূৰোৱাৰ এক প্ৰচেষ্টা। TTPৰ সৈতে চলি থকা সংঘাত আৰু দেশৰ অৰ্থনৈতিক সংকটৰ মাজত পাক চৰকাৰে ভাৰতক লক্ষ্য কৰি ৰাজহুৱা মত গঢ়ি তুলিব বিচাৰিছে। আন্তৰ্জাতিক সংবাদ মাধ্যমেও এই অভিযোগক "প্ৰমাণবিহীন" বুলি উল্লেখ কৰি পাকিস্তানক নিজৰ নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰিবলৈ পৰামৰ্শ দিছে। ভাৰত চৰকাৰে এই ঘটনাত নিহতসকলৰ পৰিয়ালৰ প্ৰতি গভীৰ সহানুভূতি প্ৰকাশ কৰিছে আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিশ্বব্যাপী সহযোগিতাৰ আহ্বান জনাইছে। "ভাৰত সদায় সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি অনুসৰণ কৰি আহিছে আৰু কোনো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত নহয়, "বুলি বৈদেশিক মন্ত্ৰালয়ৰ বিবৃতিত উল্লেখ কৰা হৈছে। এই ঘটনাই দক্ষিণ এছিয়াৰ শান্তি আৰু স্থিৰতাৰ প্ৰতি নতুন চ্যালেঞ্জ হিচাপে দেখা দিছে। দুয়োখন পৰমাণু শক্তিধৰ দেশৰ মাজত এনে অভিযোগ-প্ৰত্যভিযোগে আলোচনাৰ পথ বন্ধ কৰি দিয়ে বুলি বিশেষজ্ঞসকলে সতৰ্ক কৰিছে।

## জনজাতিকৰণৰ দাবীত

আদি বিভিন্ন প্ৰতিবাদী তথা চৰকাৰ বিৰোধী শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। টাই-আহোমক জনজাতিকৰণ প্ৰদান, মাটিৰ পট্ট প্ৰদান, অৰুণাচল প্ৰদেশত বসবাস কৰা টাই-আহোমসকলক স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ দিয়া আদি কেইবাটাও দাবীত ৰূপায়ণ কৰা আজিৰ এই প্ৰতিবাদত টাই-আহোম ছাত্ৰ সন্থা, টাই-আহোম যুৱ পৰিষদ, আহোম সভা, টাই-আহোম মহিলা পৰিষদ, টাই আহোম কলা-কৃষ্টি কেন্দ্ৰ, আহোম জাতীয় মহাসভাৰ লগতে টাই-আহোম জনগোষ্ঠীৰ সকলো সংগঠনৰ বিষয়বীয়া-সদস্যসকল উপস্থিত আছিল। বাণিজ্যিক চহৰখনৰ তামোলবাৰী খেলপথাৰৰ পৰা সমদল বাহিৰ কৰি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে তিনিচুকীয়া সদৰ থানা চাৰিআলিত উপস্থিত হৈ এখন বৃহৎ প্ৰতিবাদী সভাৰ জৰিয়তে প্ৰতিবাদৰ সামৰণি মাৰে। এই প্ৰতিবাদৰ জৰিয়তে '২৬ ৰ নিৰ্বাচনৰ পূৰ্বে টাই-আহোমসকলক জনজাতিকৰণ প্ৰদান কৰাৰ হুংকাৰ প্ৰদান কৰে। প্ৰতিবাদী সভাত সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ সভাপতি মিলন বুঢ়াগোহাঁয়ে কয়, "বিজেপি দল শাসনলৈ অহাৰ প্ৰাকমুহূৰ্তত আমাক জনজাতিকৰণ প্ৰদান কৰাৰ আশ্বাস দিছিল, কিন্তু সেয়া আজিপৰ্য্যন্ত কাৰ্যকৰী নকৰিলে। কংগ্ৰেছ দলক যেনেকৈ আমি শাসনৰ পৰা ওফৰাই পেলালোঁ তেনেকৈ '২৬ ৰ নিৰ্বাচনৰ পূৰ্বে যদি টাই-আহোমসকলক জনজাতিকৰণ প্ৰদান নকৰে তেন্তে এই মিছলীয়া বিজেপি দলকো শাসনৰ গাদীৰ পৰা ওফৰাই পেলাম। ৰাইজ এতিয়া জাগ্ৰত হৈ আছে। আমি 'আটাছু'ৰ লগতে আহোম জনগোষ্ঠীৰ সংগঠনসমূহে ৰাইজক এটা মাত্ৰ আহ্বানহে জনাইছিলোঁ আৰু আজি হাজাৰ হাজাৰ লোক এনেদৰে ৰাজপথলৈ ওলাই আহিছে। গতিকে যিকোনো প্ৰকাৰে আমাক অহা ২৫ নৱেম্বৰত জনজাতিকৰণৰ প্ৰসংগতো গৃহীত কৰিবই লাগিব।"

## ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীৰ বাবে

কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। শূন্য প্ৰিমিয়ামত চলোৱা এই আঁচনিৰ জৰিয়তে কৰ্মচাৰীৰ পৰিয়ালে দুৰ্ঘটনাজনিত মৃত্যু বা অক্ষমতাৰ ক্ষেত্ৰত সৰ্বাধিক দুই কোটি টকা পৰ্যন্ত আৰ্থিক সুৰক্ষা লাভ কৰিব। ভাৰতৰ প্ৰথমখন ৰাজ্য হিচাপে অসমে এই ব্যৱস্থা কাৰ্যকৰী কৰি অন্য ৰাজ্যসমূহৰ বাবে এক দৃষ্টান্ত স্থাপন কৰিছে। এই আঁচনি অনুসৰি বিমান দুৰ্ঘটনাত কৰ্মচাৰীৰ মৃত্যু হ'লে তেওঁৰ পৰিয়ালে দুই কোটি টকা লাভ কৰিব, অন্য যিকোনো দুৰ্ঘটনাত মৃত্যু হ'লে এক কোটি টকা প্ৰদান কৰা হ'ব। শাৰীৰিকভাৱে সম্পূৰ্ণ অক্ষম হৈ পৰিলে সৰ্বাধিক এক কোটি টকা আৰু আংশিক অক্ষমতাৰ ক্ষেত্ৰত সৰ্বাধিক আশী লাখ টকা দিয়া হ'ব। কোনো ৰোগত মৃত্যু হ'লে পৰিয়ালে দহ লাখ টকা লাভ কৰিব। কৰ্মচাৰীয়ে এটকাও প্ৰিমিয়াম দিব নালাগে আৰু চাকৰিৰ সময়ছোৱাত মৃত্যু হ'লে পৰিয়ালে বীমাৰ ধনৰ লগতে দৰমহাও অব্যাহতভাৱে পাই থাকিব। ডিচেম্বৰ মাহৰ ভিতৰত ৰাজ্যত প্ৰায় পঁয়ত্ৰিশ হাজাৰ নতুন কৰ্মচাৰীয়ে চাকৰিত যোগদান কৰিব আৰু তেওঁলোককো এই বীমা আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব। ইয়াৰ উপৰি ৰাজ্যৰ প্ৰায় তিনি লাখ ঠিকাভিত্তিক কৰ্মচাৰীয়েও এই সুবিধাৰ আওতালৈ আহিব। এছ্বি বেংকৰ সৈতে এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব আৰু অন্য বেংকেও আগ্ৰহ প্ৰকাশ কৰিলে চৰকাৰে সহযোগিতাৰ বাবে সাজু থাকিব বুলি মুখ্যমন্ত্ৰীয়ে জনোৱাৰ লগতে কয় যে ক্লেইম দাখিল কৰিবলৈ নব্বৈ দিনৰ সময়সীমা নিৰ্ধাৰণ কৰা হৈছে আৰু আঁচনিত নামভৰ্তিৰ বাবেও একেটা সময়ৰ ভিতৰত আবেদন কৰিব লাগিব, অন্যথা সুবিধা প্ৰযোজ্য নহ'ব। জানুৱাৰীৰ পৰা এতিয়ালৈকে মুঠ দুশ আশীটা ক্লেইম দাখিল হৈছে আৰু তাৰে একশ আশীটা নিষ্পত্তি কৰা হৈছে। আজি এক বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে দুৰ্ঘটনাত মৃত চাৰিগৰাকী কৰ্মচাৰীৰ পৰিয়ালক এক কোটি টকাকৈ চেক প্ৰদান কৰে। এই আঁচনিৰ পটভূমিৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে স্মৃতিচাৰণ কৰি কয় যে ঝাৰখণ্ড নিৰ্বাচনৰ সময়ত এগৰাকী অসমীয়া আৰক্ষীৰ মৃত্যু হৈছিল আৰু ঝাৰখণ্ড চৰকাৰে পঞ্চাশ লাখ টকা দিছিল। সেই সময়তে তেওঁ জয়ন্ত নাইৰীক ফোন কৰি অসমত শূন্য প্ৰিমিয়ামত বীমা আঁচনি কাৰ্যকৰী কৰাৰ নিৰ্দেশ দিছিল আৰু লখিমপুৰ কেবিনেট বৈঠকত এই সিদ্ধান্তগ্ৰহণ কৰা হৈছিল। তেওঁ লগতে উল্লেখ কৰে যে ভাৰতৰ কোনো ৰাজ্যই এনে সুবিধা আগবঢ়োৱা নাই আৰু অসমে এই ক্ষেত্ৰত আগশাৰীৰ ভূমিকা পালন কৰিছে। এই আঁচনিয়ে ৰাজ্যৰ লাখ লাখ কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ মাজত নিৰাপত্তাৰ এক নতুন আশা জগাইছে আৰু চৰকাৰী সেৱাৰ প্ৰতি বিশ্বাস আৰু দায়বদ্ধতাৰ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে।

## ৰজ্য চৰকাৰৰ গুগলৰ সৈতে

সেৱা অধিক স্বচ্ছ, কাৰ্যক্ষম আৰু জনমুখী কৰাৰ পথ প্ৰশস্ত হ'ব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। চুক্তিখনে অসমক উত্তৰ-পূব ভাৰতৰ 'এআই হাব' হিচাপে স্থাপিত কৰাৰ সপোনক বাস্তৱ ৰূপ দিব বুলি আশা কৰা হৈছে। আজি ৰাজ্যৰ তথ্য প্ৰযুক্তি বিভাগৰ কাৰ্যালয়ত অনুষ্ঠিত এক বিশেষ কাৰ্যসূচীত এই চুক্তিত স্বাক্ষৰ অনুষ্ঠিত হয়। সূত্ৰই প্ৰকাশ কৰা অনুসৰি, গুগল ক্লাউডৰ বিশেষজ্ঞ দলটোৱে অসম চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলক এআই প্ৰযুক্তিৰ উন্নত প্ৰশিক্ষণ প্ৰদান কৰিব। লগতে, নাগৰিক সেৱা প্ৰক্ৰিয়াৰ ডিজিটেল ৰূপান্তৰ আৰু স্বয়ংক্ৰিয়কৰণত সহায় আগবঢ়াব। এই সহযোগিতাই চৰকাৰী কাম-কাজত সময়ৰ সঞ্চয়, ত্ৰুটি হ্ৰাস আৰু সেৱাৰ গুণগত মান বৃদ্ধি কৰিব বুলি আশ্বাস দিয়া হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই এই চুক্তিক "অসমৰ ডিজিটেল যুগৰ ঐতিহাসিক মাইলৰ খুঁটি" বুলি অভিহিত কৰি কয়, "এই পদক্ষেপে অসমক উত্তৰ-পূবৰ এআই কেন্দ্ৰবিন্দু হিচাপে প্ৰতিষ্ঠা কৰিব। ৰাজহুৱা সেৱা ক্ষিপ্ৰ, স্বচ্ছ আৰু অধিক জনমুখী হ'ব। আমাৰ লক্ষ্য হৈছে প্ৰতিগৰাকী নাগৰিকে ঘৰতে বহি চৰকাৰী সেৱা লাভ কৰা।" মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে এই প্ৰযুক্তিয়ে দুৰ্নীতি হ্ৰাস আৰু শাসন ব্যৱস্থাৰ পাৰদৰ্শিতা বৃদ্ধিতো গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। চুক্তিৰ অন্যতম মূল অংশ হৈছে ৰাজ্যত "এআই চেণ্টাৰ অৱ এক্সেলেন্স" (AI Centre of Excellence) স্থাপনৰ পৰিকল্পনা। এই কেন্দ্ৰটোৱে এআই গৱেষণা, প্ৰশিক্ষণ আৰু ব্যৱহাৰিক প্ৰয়োগৰ ক্ষেত্ৰত কেন্দ্ৰীয় ভূমিকা পালন কৰিব। ইয়াৰ মাধ্যমত চৰকাৰী বিভাগসমূহত এআইভিত্তিক সমাধান যেনে— স্বাস্থ্য, শিক্ষা, কৃষি আৰু পৰিবহণ খণ্ডত স্বয়ংক্ৰিয় তথ্য বিশে-ষণ, ভৱিষ্যদ্বাণীমূলক মডেল আৰু স্মাৰ্ট সেৱা প্ৰৱৰ্তন কৰা হ'ব। কেন্দ্ৰটোৱে যুৱ প্ৰজন্মৰ বাবে এআই দক্ষতা বিকাশৰ প্ৰশিক্ষণ কাৰ্যসূচীও আয়োজন কৰিব বুলি জানিব পৰা গৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, এই পদক্ষেপে অসমক ডিজিটেল ইণ্ডিয়া অভিযানৰ অগ্ৰণী ৰাজ্য হিচাপে স্থান দিব। ইয়াৰ ফলত ৰাজ্যৰ অৰ্থনৈতিক বিকাশ, নিয়োগ সৃষ্টি আৰু প্ৰযুক্তিগত উদ্ভাৱনৰ ক্ষেত্ৰত নতুন দিগন্ত মুকলি হ'ব। আগন্তুক মাহ কেইটাত এই কেন্দ্ৰৰ ভিত্তি স্থাপন আৰু প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। এই চুক্তিয়ে অসমৰ ডিজিটেল ৰূপান্তৰৰ নতুন অধ্যায়ৰ সূচনা কৰিছে বুলি বিশে-ষকসকলে মন্তব্য কৰিছে। ইয়াৰ জৰিয়তে ৰাজ্য চৰকাৰে কেৱল সেৱাৰ মান উন্নত কৰাই নহয়, উত্তৰ-পূবৰ অন্যান্য ৰাজ্যসমূহৰ বাবেও এক আদৰ্শ স্থাপন কৰিব বুলি বিশ্বাস কৰা হৈছে।

# বৰপেটাত অপটিকেল ফাইবাৰ টেকনিচিয়ান আৰু স্প্লাইচাৰৰ বাবে দক্ষতা বিকাশ প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ

**অসম বাৰ্তা, বৰপেটা সদৰ, ১২ নৱেম্বৰ ঃ** আজি বৰপেটাত জিলা প্ৰশাসনৰ সহযোগত আকাংক্ষিত জিলা কাৰ্যসূচীৰ অধীনত অপটিকেল ফাইবাৰ টেকনিচিয়ান (Optical Fiber Technician) আৰু অপটিকেল ফাইবাৰ স্প্লাইচাৰ (Optical Fiber Splicer)ৰ ভূমিকাৰ বাবে দক্ষতা বিকাশ প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই প্ৰচেষ্টাৰ লক্ষ্য হৈছে স্থানীয় যুৱক-যুৱতীসকলক অপটিকেল ফাইবাৰ প্ৰযুক্তিৰ উদ্যোগ-প্ৰাসংগিক দক্ষতাৰে সজ্জিত কৰি তেওঁলোকক শক্তিশালী কৰা — যিটো ভাৰতৰ ডিজিটেল আন্তঃগাঁথনিৰ বিকাশৰ এক উদীয়মান ক্ষেত্ৰ। ড'মেইন দক্ষতাৰ উপৰিও, প্ৰশিক্ষাৰ্থীসকলে উদ্যোগীতাৰ ওপৰতো পৰামৰ্শ লাভ কৰিব, যাৰ ফলত তেওঁলোকে স্ব-নিয়োগ আৰু বহল জীৱিকাৰ সুযোগ লাভ কৰিবলৈ সক্ষম হ'ব। এই প্ৰশিক্ষণে এখন দক্ষ আৰু আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ বাবে ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰ সৈতে সামঞ্জস্য ৰাখি জিলাখনত বহনক্ষম নিয়োগ সৃষ্টিতো অৰিহণা যোগাব। এই পদক্ষেপটোৱে আকাংক্ষিত জিলা কাৰ্যসূচীৰ অধীনত দক্ষতাভিত্তিক শিক্ষণক আগুৱাই নিয়া, কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি কৰা, আৰু স্থানীয় উদ্যোগীক উৎসাহিত কৰাৰ বাবে বৰপেটা জিলা প্ৰশাসনৰ নিৰন্তৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে। আজিৰ শুভাৰম্ভণি অনুষ্ঠানত শ্ৰীমতী মৌচুমী চেতিয়া, এচিএছ, অতিৰিক্ত জিলা আয়ুক্ত; শ্ৰী আব্দুল ৰাকিল, এএফএছ, বিত্ত আৰু হিচাপ বিষয়া; শ্ৰী অৰূপ কুমাৰ ডেকা, সাধাৰণ পৰিচালক (ভাৰপ্ৰাপ্ত), জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ; শ্ৰী প্ৰঞ্জিত ডেকা, সহকাৰী নিয়োগ বিষয়া, জিলা নিয়োগ বিনিময় কেন্দ্ৰ; শ্ৰী ৰফিকুল ইছলাম, জিলা প্ৰকল্প পৰিচালক, অসম দক্ষতা বিকাশ অভিযান (বৰপেটা আৰু বজালী); আৰু শ্ৰী জাহিদুল ইছলাম, চু পাৰভাইজাৰ, আই.টি.আই. বৰপেটা - এইসকল বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত 'বাইয়' কেমিষ্ট্ৰী ফৰ হেল্‌থ এণ্ড মেডিচিন' শীৰ্ষক বক্তৃতানুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ নৱেম্বৰ ঃ** ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ মহাবিদ্যালয়ত (স্বায়ত্তশাসিত) জৈৱ-প্ৰযুক্তি বিভাগৰ উদ্যোগত শঙ্কৰদেৱ সভাকক্ষত "বায়'কেমিষ্ট্ৰি ফৰ হেল্‌থ এণ্ড মেডিচিন" -শীৰ্ষক এক বক্তৃতা অনুষ্ঠিত হয়। বক্তৃতা প্ৰদান কৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ জৈৱৰসায়ন বিভাগৰ বিভাগীয় মুৰব্বী তথা অধ্যাপিকা ডাঃ মণিগোপা দাসে। অনুষ্ঠানটো আয়োজন কৰে ডি.এইচ.এস.কে. কলেজৰ জৈৱ-প্ৰযুক্তি বিভাগৰ বিভাগীয় মুৰব্বী তথা অধ্যাপক অতনু কোঁৱৰে। অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলী উপস্থিত থাকে। বক্তৃতা আৰম্ভ হোৱাৰ পূৰ্বে তেওঁলোকেও জৈৱৰসায়নৰ আধুনিক বিজ্ঞানত গুৰুত্ব আৰু জীৱ-প্ৰযুক্তিৰ বিকাশত ইয়াৰ অৱদানৰ বিষয়ে মতামত প্ৰকাশ কৰে। ড° মণিগোপা দাসে স্বাস্থ্য, চিকিৎসা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত জৈৱৰসায়নৰ প্ৰাসঙ্গিকতা আলোচনা কৰি কয় যে, "বায়'কেমিষ্ট্ৰী আৰু বায়'টেকনল'জী একে মুদ্ৰাৰ দুটা পিঠি, যাৰ সমন্বয়ৰ দ্বাৰা বৈজ্ঞানিক অগ্ৰগতি সম্ভৱ।" তেওঁ জৈৱৰসায়ন আৰু জৈৱ-প্ৰযুক্তি বিভাগৰ মাজত একাডেমিক আদান-প্ৰদান, শিক্ষামূলক ভ্ৰমণ, ইণ্টাৰ্ণশ্বিপ আৰু চাকৰিমুখী প্ৰশিক্ষণ আদি কাৰ্যসূচী সংগঠনৰ প্ৰয়োজনীয়তা উল্লেখ কৰে। অনুষ্ঠানটোত জৈৱ-প্ৰযুক্তি বিভাগৰ অধ্যাপক সঞ্জীৱ সন্দিকৈ লগতে বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে উপস্থিত থাকে। এই বিশেষ বক্তৃতাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জৈৱৰসায়ন আৰু জীৱ-প্ৰযুক্তি ক্ষেত্ৰত আগ্ৰহ, জ্ঞান আৰু গৱেষণামূলক মনোভাৱ বৃদ্ধি কৰাৰ এক মূল্যবান সুযোগ সৃষ্টি কৰে।

# উত্তৰ-পশ্চিম যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১২ নৱেম্বৰ ঃ** উত্তৰ-পশ্চিম যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশন ১৬ নৱেম্বৰত মনাইমাজি জ্ঞানজ্যোতি কলা-কৃষ্টি সংঘত দিনৰ ১ বজাৰপৰা অনুষ্ঠিত হ'ব। অৱসৰপ্ৰাপ্ত অধ্যাপক যোগানন্দ বৰাই শুভাৰম্ভ কৰিবলগীয়া আৰু মঞ্চৰ সভাপতি নগেন বৰাই সভাপতিত্ব কৰিবলগীয়া সভাত জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য সুৰক্ষিত কৰি ৰাখিবৰ বাবে পালন কৰিবলগীয়া বিষয়ত বক্তৃতা প্ৰদান কৰিব ডাঃ অপূৰ্ব কুমাৰ শৰ্মাই। সভাখনত ভালেকেই গৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অঞ্চলটোৰ সমাজ-সচেতন ব্যক্তি হেমচন্দ্ৰ নেওগৰ জীৱন আৰু কৰ্মৰ বিষয়ে বিভিন্নগৰাকীয়ে লেখা অভিনন্দন-গ্ৰন্থখন সভাখনতে উন্মোচন কৰা হ'ব। অঞ্চলটোৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ লগতে হেমচন্দ্ৰ নেওগৰ শুভাকাংক্ষীসকলক সভাখনত উপস্থিত থাকিবলৈ মঞ্চৰ কাৰ্যকৰী সভাপতি ঠানুৰাম বৰা, সম্পাদক মাখন চন্দ্ৰ বৰাই অনুৰোধ জনাইছে।

# চামগুৰিৰ কাৱৈমাৰীত তৃতীয়খন কোৱাটাৰ ফাইনেল ফুটবল খেলত অংশ ল'ব নাইজেৰিয়াৰ খেলুৱৈয়ে

**অসম বাৰ্তা, ৰূপহীহাট, ১২ নৱেম্বৰ ঃ** চামগুৰি সমষ্টিৰ কাৱৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত কাৱৈমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা এপিজে আব্দুল কালাম নৈশ ট্ৰফী ফুটবল খেলত য়োৱানিশা অনুষ্ঠিত হোৱা দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেল খেলত গড়াজান তাৰিফুল ১১ ষ্টাৰ আৰু বৰগুলি যুৱ সংঘৰ মাজত অনুষ্ঠিত হোৱা খেলখনত বৰগুলি যুৱ সংঘই ১ -০ গ'লৰ ব্যৱধানত জয়লাভ কৰে। আজি সন্ধিয়া ৬ বজাৰ লগে লগে আৰম্ভ হ ব তৃতীয়খন কোৱাৰ্টাৰ ফাইনেল খেল। আজিৰ খেলত তীব্ৰভাৱে প্ৰতিদ্বন্দ্বিতা কৰিব সোণাৰীবালী আঞ্চলিক ক্ৰীড়া সন্থা বনাম কাঞ্চনপুৰ গাঁও পঞ্চায়ত sports club। আজিৰ খেলৰ ৫০ টকীয়া টিকটৰ ভিতৰত থাকিব আকৰ্ষণীয় লটাৰী খেলৰ ব্যৱস্থা। লটাৰী বিজয়ী জনে লাভ কৰিব বেবী ছাইকেল। খেল চোৱাৰ লগতে দৰ্শকে উপভোগ কৰিব পাৰিব সাংস্কৃতিক সন্ধিয়াৰ। সমূহ খেলপ্ৰেমী ৰাইজক কাৱৈমাৰী আঞ্চলিক ক্ৰীড়া সন্থাই সহায় সহযোগিতা ও উপস্থিততি কামনা কৰিছে।

**হাতে-লুটে ধৰা পৰে কনিষ্ঠ অভিযন্তা জহুৰ উদ্দিন**

# বিন্নাকান্দি উন্নয়ন খণ্ডত মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰণ শাখাৰ অভিযান

**অসম বাৰ্তা, ডবকা, ১২ নৱেম্বৰ ঃ** এইবাৰ পুনৰ হাত দাঙিলে হোজাইৰ বিন্নাকান্দী উন্নয়নখণ্ডৰ এগৰাকী কণিষ্ঠ অভিযন্তাই। উৎকোচ লৈ হাত দাঙিলে কনিষ্ঠ অভিযন্ত্ৰা জহুৰ উদ্দিন চৌধুৰীয়ে। আজি বিয়লিৰ ভাগত মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰণ শাখাৰ এক অভিযানত ধৰা পৰিল কণিষ্ঠ অভিযন্তা গৰাকী। বাতৰি লিখা পৰলৈ তদন্ত অব্যাহত ৰাখিছে অভিযানকাৰী দলটোৱে। উল্লেখ্য যে উন্নয়ন খণ্ডটিত কমিচনৰাজৰ বিৰুদ্ধে ধাৰাবাহিক দুৰ্নীতিৰ বাতৰি প্ৰকাশ পাইছিল। নন তথ্য পোহৰলৈ আহিছিল। তাৰ পাছতে অৱশেষত অভিযোগকাৰীৰ পৰা বকেয়া বিল আদায় দিয়াৰ নামত সাত হাজাৰ টকা উৎকোচ লৈ নিজ কাৰ্যালয়তে হাতে লুটে ধৰে পৰে অভিযন্তা গৰাকী। জানিব পৰা মতে ডবকাৰ কেইজনমান যুৱকে কিছুদিন পূৰ্বে মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰণ শাখাত অভিযোগ দিছিল। এই উন্নয়ন খণ্ডত পূৰ্বেও খণ্ড উন্নয়ন বিষয়া শেফালী চক্ৰৱৰ্তীয়ে উৎকোচ লৈ ধৰা পৰিছিল। অভিযোগ অনুসৰি খণ্ড উন্নয়ন বিষয়া গৰাকীৰ অতি ঘনিষ্ঠ আছিল অভিযন্তা জহুৰ। বৰ্তমানে উন্নয়ন খণ্ডৰ দুৰ্নীতিগ্ৰস্ত বিষয়া কৰ্মচাৰী। তংকিত হৈ পৰা বুলি চৰ্চিত হৈছে আৰু বহু ৰৌ বৰালি জালত পৰাৰ সম্ভাৱনা আছে।

# টাপাট্টাৰীত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ কৰ্ম বিৰতি আৰু ধৰ্মঘট কাৰ্যসূচী

**অসম বাৰ্তা, অভয়াপুৰী, ১২ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি অভয়াপুৰীৰ টাপাট্টাৰী উন্নয়ন খণ্ডৰ কাৰ্যালয় প্ৰাংগণতো পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কৰ্মচাৰীৰ কৰ্ম বিৰতি ও ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কৰ্মচাৰী সকলে ন্যায্য অধিকাৰৰ দাবীত বিভাগীয় অৱহেলা আৰু চৰকাৰৰ নীৰৱতাৰ বিৰুদ্ধে এই কৰ্মবিৰতিৰ কাৰ্যসূচী ৰূপায়ণ কৰে। বিগত ১৭ বছৰ ধৰি এই বিভাগত থকা ঠিকাভিত্তিক কৰ্মচাৰীসকলে অসম চৰকৰৰ প্ৰায়বোৰ আঁচনি ৰূপয়ণৰ ক্ষেত্ৰত প্ৰত্যক্ষ ভাৱে জড়িত থকাৰ পিছতো এই কৰ্মচাৰী সকলক ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰা বহুতো অভিযোগ বহু বছৰৰ পৰা উত্থাপন হৈ আহিছে। কিন্তু এই ক্ষেত্ৰত চৰকাৰ কিম্বা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে সদায় অৱহেলা কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। কৰ্ম বিৰতি ও ধৰ্মঘট কাৰ্যসূচী যোগে কৰ্মচাৰী সকলে বৰ্তমানে পোৱা বেতনৰ উপৰিও ন্যূনতম ৩০, ০০০ টকাৰ একঁকালীন বেতন বৃদ্ধি কৰি সমকামৰ সমমৰ্যাদা প্ৰদান কৰা, প্ৰতি বছৰে ন্যূনতম ১০ক্ষ বেতন বৃদ্ধিৰে স্থায়ীভাৱে প্ৰয়োগ কৰা, দীৰ্ঘদিনীয়া আগবঢ়োৱা সেৱাৰ স্বীকৃতি হিচাপে ৬০ বছৰ বয়সলৈ চাকৰি সুৰক্ষা নিশ্চিতকৰণ কৰা, নীতি নিয়ম মতে প্ৰণয়ন আৰু প্ৰয়োগৰ জৰিয়তে আমাৰ অধিকাৰ সুনিশ্চিত কৰা আদি বিভিন্ন দাবীৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে।

# ধুবৰীৰ কল্পতৰু সংগঠনৰ সৌজন্যত জুবিন গাৰ্গৰ জন্ম মাহ উপলক্ষে বিভিন্ন শিক্ষানুষ্ঠানত গছপুলি ৰোপণ

**অসম বাৰ্তা, ধুবুৰী, ১২ নৱেম্বৰ ঃ** ধুবুৰীৰ বিভিন্ন প্ৰান্তত জনপ্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে বৃক্ষ ৰোপণ কাৰ্যসূচী হাতত লোৱা হয়। আজি ধুবুৰী বিবেকানন্দ বিদ্যালয়ৰত এখন নাহৰ গছ ৰোপণ কৰে সমাজ সেৱক সুচিব্ৰত সিংহ চৌধুৰী(পাকু দা)উপস্থিত আছিল বিবেকানন্দ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী, কল্পতৰু সংগঠৰ সদস্য লাচিত চৌধুৰী, গণেশ ৰায়, ৰিশিকেশ ৰায়। জুবিন গাৰ্গৰ মায়াবিনি গীত গাই শিক্ষক-শিক্ষয়িত্ৰীৰ আৰু ছাত্ৰ-ছাত্ৰীসকল সকলে শ্ৰদ্ধাঞ্জলি জনায়।

# তামোলীচিগাৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী মহেন্দ্ৰ বৰাৰ পৰলোক

**অসম বাৰ্তা, জাঁজী, ১২ নৱেম্বৰ ঃ** যোৰহাট জিলাৰ তামূলীছিগা সোণাৰী গাঁৱৰ নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক সমাজ কৰ্মী মহেন্দ্ৰ বৰাৰ কালি দিনৰ ২ বজাত নিজা বাসগৃহত ৮৭বছৰ বয়সত বাধ্যক জনিত কাৰণত পৰলোক প্ৰাপ্তি হয়। আনহাতে বৰাই ২০০০ চনত শিমলুগুৰি টংকেশ্বৰ কটকী প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ নাম-প্ৰসঙ্গ কৰিবলৈ আৰম্ভ কৰে। ইয়াৰোপৰি বৰা তামূলীছিগা আঞ্চলিক ৰাসোৎসৱ সমিতিৰ প্ৰাক্তন সভাপতি আছিল। মৃত্যুৰ সময়ত বৰাই এজন পুত্ৰ, দুই গৰাকী বোৱাৰী, এগৰাকী বিবাহিতা জী, নাতি, নাতিনি সহ ইহ সংসাৰত এৰি থৈ যায়। বৰাৰ মৃত্যুত তামোলীছিগা অঞ্চলৰ লগতে স্থানীয় অনুষ্ঠানত প্ৰতিষ্ঠান আদিয়ে দুখ প্ৰকাশ কৰে।

# সদৌ অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঠিকাভিত্তিক কৰ্মচাৰীৰ গোৱৰ্দ্ধনা খণ্ড উন্নয়ন কাৰ্যলয়ত কৰ্মচাৰীৰ উত্তাল প্ৰতিবাদ




**অসম বাৰ্তা, বৰপেটাৰোড, ১২ নৱেম্বৰ ঃ** আজি গোৱৰ্দ্ধনা খণ্ড উন্নয়ন কাৰ্যলয়ত ঠিকাভিত্তিত কৰ্মচাৰীয়ে কেইবাটাও দাবীৰে গোৱৰ্দ্ধনা উন্নয়ন খণ্ড কাৰ্যালয়ত সদৌ অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঠিকাভিত্তিক কৰ্মচাৰী উন্নয়ন পৰিষদৰ কৰ্মচাৰীৰ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। তিনিদিনীয়া কৈ কৰ্মবিৰতিৰে কৰ্মচাৰীৰ উত্তাল প্ৰতিবাদ। আজি গোৱৰ্দ্ধনা খণ্ড উন্নয়ন কাৰ্যলয়ত ঠিকাভিত্তিত কৰ্মচাৰীৰ দাবীসমূহ হৈছে পাৰিতোষিক বৃদ্ধি কৰিব লাগে, ৬০ বছৰলৈ চাকৰি সু-নিশ্চিত কৰক, সম কামৰ সম অধিকাৰ, মেডিকেলৰ সুবিধা প্ৰধান, অন্যান্য বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰিৰ নিচিনাকৈ সুবিধা প্ৰদান কৰক। এই দাবী সমূহ পালন নৰিলে অনিৰ্দিষ্ট কাললৈ কৰ্মচাৰীৰ কৰ্মবিৰতি অব্যাহত থাকিব বুলি জানিবলৈ দিয়ে।

# পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ ৰাজ্যজুৰি তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, বাদুলিপাৰ, ১২ নৱেম্বৰ ঃ** অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰী সকলে তেখেত সকলৰ ন্যায্য দাবীৰ বাবে আজি নিজ নিজ উন্নয়ন খণ্ডৰ লগতে গোলাঘাট জিলাৰ কেন্দ্ৰীয় উন্নয়ন খণ্ডত কৰ্মবিৰতি আৰু অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। তেখেত সকলৰ মুল দাবী ৬০ বছৰ বয়সলৈ চাকৰি সুৰক্ষা নিশ্চিত কৰণ, সমকামৰ সম মৰ্যাদা প্ৰদান কৰা, প্ৰতি বছৰে ন্যূনতম ১০ শতাংশ বেতন বৃদ্ধি স্থায়ীভাৱে প্ৰয়োগ কৰা, HR Policy নীতি প্ৰণয়ন আৰু প্ৰয়োগৰ জৰিয়তে অধিকাৰ সুনিশ্চিত কৰা। এই মুল দাবী সমূহ দীৰ্ঘদিন ধৰি বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত উত্থাপন কৰি অহাৰ পাছতো বিভাগীয় মন্ত্ৰী ৰঞ্জিত দাসৰ পৰা কোনো সুদুত্তৰ নোপোৱাৰ বাবে আজি পৰা এনে কাৰ্যসূচী ল'বলৈ বাধ্য হয় বুলি কৰ্মচাৰী সকলে জনায়। বিভিন্ন সময়ত বিভাগে প্ৰলোভনেৰে প্ৰতাৰিত কৰাৰ বাবে কৰ্মচাৰী সকলে মুখ্যমন্ত্ৰীৰ প্ৰত্যক্ষ হস্তক্ষেপ বিচাৰি তেখেতক দৃষ্টিগোচৰ কৰিব বিচাৰে। উল্লেখ্য যে এই কৰ্মচাৰী সকলক তেখেত সকলৰ নিজ নিজ কামৰ উপৰিও নিৰ্বাচনৰ বিভিন্ন কাম, অৰুণোদয়, খাদ্য সুৰক্ষা, কৃষি জৰিপ আদি অসংখ্য কামত প্ৰথমঅৱস্থাৰ পৰাই বিভাগে নিয়োজিত কৰি আহিছে। কিছু কিছু ক্ষেত্ৰত স্থায়ী কৰ্মচাৰীতকৈ অধিক কামৰ বোজা দিয়াও পৰিলক্ষিত হয়। কৰ্মচাৰী সকলক প্ৰতিটো কামত লক্ষ্য নিৰ্ধাৰণ কৰি কম সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়াৰ ফলত দিন ৰাতি, বন্ধ দিন একাকাৰ কৰি কাম সমূহ নিষ্ঠাৰে পালন কৰি যোৱাৰ পাছতো তেখেতসকলৰ দাবী সমূহ পূৰণৰ বাবে আন্দোলনৰ পথ বাছি লোৱাতোহে লক্ষণীয়। জানিব পৰা মতে দাবী সমূহ মানি নোলোৱা পৰ্যন্ত জিলা আৰু ৰাজ্যিক পৰ্যায় পৰ্যন্ত আন্দোলন অব্যাহত থাকিব।

# জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰত নৱাগত আদৰণি সভা

**অসম বাৰ্তা, দোতমা, ১২ নৱেম্বৰ ঃ** আজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান,কোকৰাঝাৰত ২০২৪-২৭ শিক্ষাবৰ্ষৰ প্ৰশিক্ষণাৰ্থীসকলৰ নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। অনুষ্ঠানখন জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰৰ অধ্যক্ষ মহোদয়, সকলো শিক্ষক-শিক্ষয়িত্ৰী , কৰ্মচাৰী আৰু ডি,এল,এড, তৃতীয় ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থী আৰু নৱাগত প্ৰশিক্ষাৰ্থীসকলৰ উপস্থিতিত অনুষ্ঠিত হয় । জেষ্ঠ প্ৰশিক্ষাৰ্থীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, কবিতা পাঠ, সংগীত আৰু অভিনয়ৰ জৰিয়তে নিজৰ আদৰৰ কনিষ্ঠসকলক আদৰণি জনায়। অধ্যক্ষ মহোদয়ৰ লগতে শিক্ষাগুৰুসকলেও নৱাগত প্ৰশিক্ষাৰ্থীসকলক আদৰণি জনাই তেখেতসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। অধ্যক্ষ মহোদয়ে "শিক্ষাৰ অৰ্থ কেৱল পঢ়া-লিখাই নহয়, মানৱতা আৰু সৎপথে আগবঢ়াটোও শিক্ষাৰ এক অঙ্গ" বুলি প্ৰশিক্ষাৰ্থীসকলক বাৰ্তা দি কয় যে তোমলোকে ভৱিষ্যতত এজন এজন শিক্ষক হবলৈ গৈ আছা, আমি বিচাৰো তোমালোক একো একোজন ভাল শিক্ষক হোৱাৰ উপৰিও দেশৰ একো একোজন ভাল নাগৰিকৰ সৃষ্টিকৰ্তা হোৱা।

# নামনি মাজুলীৰ কৰতিপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত বৃহৎ অভিভাৱক সভা; হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ পৰিচালনা সমিতি গঠন

**অসম বাৰ্তা, উজনী মাজুলী, ১২ নৱেম্বৰ ঃ** মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত নামনি মাজুলীৰ কৰতিপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত আজি এখন বৃহৎ অভিভাৱক সভা অনুষ্ঠিত হয়। আজি দুপৰীয়া ১২.৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা উক্ত অভিভাৱক সভাত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কৰতিপাৰ কেন্দ্ৰৰ অধীনস্থ আঠখন বিদ্যালয়ৰ অভিভাৱক আৰু শিক্ষক শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰে। কৰতিপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ বৰাই আঁত ধৰা উক্ত সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৰেন্দ্ৰ নাথ বৰুৱাই। উক্ত, সভাত ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰিচালনা সমিতিৰ হিচাপ দাখিল কৰে হিচাপ পৰীক্ষক সুৰেন লেখাৰু আৰু মদন ৰাজখুৱাই। উক্ত, হিচাপ পৰীক্ষণত ১, ২৩, ৫০০.০০ আয় আৰু ১, ২৩, ৫০০.০০ ব্যয় হোৱা বুলি স্পষ্ট ভাৱে দেখুৱাই। ইয়াৰ পিছত কৰতিপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ পৰিচালনা সমিতি গঠন প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। উক্ত পৰীক্ষা কেন্দ্ৰ পৰিচালনা সমিতিৰ গঠনৰ সকলো চৰকাৰী নীতি নিয়ম প্ৰধান শিক্ষক প্ৰদীপ বৰাই ব্যাখ্যা কৰে। তেওঁ পৰীক্ষা কেন্দ্ৰ পৰিচালনা সমিতিৰ দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভতো ৰাইজক অৱগত কৰে। সভাত আগন্তুক ২০২৬চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কৰতিপাৰ কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি



হিচাপে হৰেন্দ্ৰ নাথ বৰুৱা, সদস্য সচিব হিচাপে প্ৰধান শিক্ষক প্ৰদীপ বৰা, সদস্য হিচাপে গোপীৰাম শইকীয়া, গাঁও প্ৰধান দিপালী ভূঞা, চন্দন কুম্বাং, খগেন হাজৰিকা, বলীন বৰা, বিনন্দ কাকতিক মনোনীত কৰা হয়। সভাত স্থানীয় অগ্ৰণী ব্যক্তি হিচাবে মহেন্দ্ৰ পেগু, ভাইটি কুলি, সুমিত্ৰা টায়ুং দলে, পৰেশ দলে, আনন্দ টায়ুংক পৰীক্ষা পৰিচালনা সমিতিৰ সদস্য হিচাপে মনোনীত কৰা হয়। উক্ত, সভাত সুৰেন লেখাৰু আৰু মদন ৰাজখোৱাক হিচাপ পৰীক্ষক হিচাপে মনোনীত কৰা হয়। উক্ত, পৰীক্ষা কেন্দ্ৰৰ সহকাৰী তত্ত্বাৱধায়ক হিচাপে অৰুণোদয় হাইস্কুলৰ প্ৰধান শিক্ষক দেবেন বৰুৱা আৰু কৰতিপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অজিত পেগুক, কাৰ্যালয় সহায়ক দীপাঞ্জল মুদৈক দায়িত্ব অৰ্পণ কৰা হয়। সভাত, খগেন হাজৰিকা, গোপীৰাম শইকীয়া, চন্দন কুম্বাং, অজিত পেগু, কোযেশ্বৰ চেকনিধৰা, ৰাজীৱ পেগু, সুৰেন লেখাৰু, যদু কলিতা আদিয়ে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে প্ৰধান শিক্ষক প্ৰদীপ বৰাই।

**শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীক সৰুৰে পৰা ইতিবাচক চিন্তাৰে আগবঢ়াই নিব লাগে**

# টেঙাবাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ শতবাৰ্ষিকীত ড° হিতেশ ডেকা

**অসম বাৰ্তা, কমলপুৰ, ১২ নৱেম্বৰ ঃ** বাইহাটা চাৰিআলিৰ পিয়লিখাটাস্থিত ৫৮৪ নং টেঙাবাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই কয়, 'শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীক সৰুৰে পৰা ইতিবাচক চিন্তাৰে আগবঢ়াই নিব লাগে। বৰ্তমান সময়ত মাতৃভাষা বিদ্যালয়সমূহৰ অৱস্থা 'ভাল' নহয়। বহুতো মাতৃভাষাৰ শিক্ষানুষ্ঠান বন্ধ হৈ পৰিছে। একাংশ অভিভাৱকে নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুৱাবলৈ আগবঢ়া দেখা গৈছে। এনে কাৰণত মাতৃভাষাৰ বিদ্যালয়সমূহ আগুৱাই নিবলৈ বৃহৎ প্ৰত্যাহ্বান আহি পৰিছে।' উক্ত শতবৰ্ষ উদ্যাপন সমিতিৰ সভাপতি মিৰাণ আলী শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে পৰিবহণ বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী আয়ুক্ত আব্দুল মজিদে। নিৰ্দিষ্ট বক্তা হিচাপে সাৰুৱা ভাষণ প্ৰদান কৰে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ মুখ্য গ্ৰন্থগাৰিক ড° মুকেশ শইকীয়াই। পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ফুলেশ্বৰ ধিঙে ভাষণ প্ৰদান কৰা সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰে বাইহাটা চাৰিআলি সাহিত্য সভাৰ সভাপতি কৃষ্ণকান্ত কলিতাই। আনহাতে সন্ধিয়া ভাগত বঁটা বিতৰণ, সম্বৰ্ধনা অনুষ্ঠানৰ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হয়। আনহাতে পুৱাৰ ভাগত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে বাইহাটা চাৰিআলি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰক্তিমা ডেকা বৰুৱাই। সহযোগী উদ্বোধক হিচাপে অংশ গ্ৰহণ কৰে বাইহাটা চাৰিআলি লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সম্পাদিকা ৰেণুৱাৰা বেগমে। আনহাতে উক্ত শতবৰ্ষ সামৰণী অনুষ্ঠানৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা বিদ্যালয়ৰ প্ৰাংগনত পতাকা উত্তোলন কৰে শতবৰ্ষ উদ্যাপন সমিতিৰ মুখ্য সভাপতি বিধায়ক দিগন্ত কলিতাৰ অনুপস্থিতিত সভাপতি মিৰাণ আলী শইকীয়াই আৰু আন ৯৯খন পতাকা আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলে উত্তোলন কৰে। স্মৃতি তৰ্পণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে পিয়লিখাটা এম, ই স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ইমৰাণ হুছেইনে। পিছত বিদ্যালয় প্ৰতিষ্ঠা কালৰ পুৰোধা ব্যক্তিসকল, প্ৰয়াত শিক্ষক-শিক্ষয়িত্ৰী সকল আৰু অসমৰ হিয়াৰ আমঠু তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গ, প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পিছত বিদ্যালয়ৰ নৱনিৰ্মিত জৈ বুন নেছা সোঁৱৰণী তোৰণ মুকলি কৰে প্ৰাক্তন ছাত্ৰী তথা জৈবুন নেছাৰ ভতিজী মনোৱাৰা আহমেদে। বিদ্যালয়ৰ চৌহদ বেৰ উন্মোচন কৰে ক্ৰমে আম্বিয়া বেগম, নাছেৰ আলী, চৈয়দ ইস্কিন্দৰ মজিবে। পিছত সম্বৰ্ধনা অনুষ্ঠান, গজপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণৰ পিছত সতীৰ্থ সম্মিলন উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰী তথা শিক্ষয়িত্ৰী চানজিদা শইকীয়াই। সঞ্চালনা কৰে প্ৰাক্তন ছাত্ৰী তথা গোৰেশ্বৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° ফৰিদা আলমে। এই সতীৰ্থ সম্মিলনত সমাৰোহত কেইবাগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে নিজেই অধ্যয়ন কৰা মৰমৰ শিক্ষানুষ্ঠানখনৰ অতীত ৰোমন্থন কৰি আৱেগিক হৈ পৰে। সন্ধিয়া বাইহাটা চাৰিআলিস্থিত ৰুৰেল লাইব্ৰেৰীৰ সম্পাদক কুশল গোস্বামী আৰু নাট্যকৰ্মী নৱ কুমাৰ কলিতাই বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণৰ পিছত আজিজুল ইছলাম (বাবজান) সোঁৱৰণী মঞ্চ উদ্বোধন কৰে কমলপুৰৰ যুৱনতা অংকুৰ দাসে। পিছত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰাৰ পিছত নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই।

# দেৰগাঁৱত দপ্‌দপকৈ জ্বলিল ৰখাই থোৱা টাটা মেজিক বাহন

**অসম বাৰ্তা, দেৰগাঁও, ১২ নৱেম্বৰ ঃ** বুধবাৰে বিয়লি দেৰগাঁৱৰ এফ.চি.আই. চাৰিআলিৰ সমীপত সংঘতিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। হঠাৎ দপদপকৈ জ্বলি উঠিল এখন ৰখাই থোৱা যাত্ৰী কঢ়িওৱা টাটা মেজিক বাহন। সৌভাগ্য ক্ৰমে বাহনখনত নাছিল কোনো যাত্ৰী। অৱশ্যে সম্পূৰ্ণ ৰূপে জুইত জাহ যায় বাহন খন। বাহনখনৰ চালকজন কুৱালগুৰিৰ বেজ গাঁৱৰ প্ৰণৱ ৰাজখোৱা বুলি জানিব পৰা গৈছে। যান্ত্ৰিক বিজুতিৰ ফলতেই এই ঘটনা সংঘটিত হোৱা বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে বহু দেৰীকৈ দেৰগাঁৱৰ অগ্নিনিৰ্বাপক বাহিনীৰ বাহন উপস্থিত হৈ জুই নিৰ্বাপন কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন